


# কমতা দর্পন

স্মৃতিগ্ৰন্থ




৪৯০ তম্ বিশ্ব মহাবীৰ চিলাৰায় জন্ম জয়ন্তী উদ্‌যাপন সমিতি, অভয়াপুৰী

সদৌ বঙাইগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা

OKDISCD

বঙাইগাঁও জিলা প্ৰাথমিক শিক্ষা আঁচনিয়ে ( ডি, পি, ই, পি) ৪৯০ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱসলৈ আন্তৰিক ওলগ ও অভিনন্দন জনাইছে.

জিলা প্ৰাথমিক শিক্ষা আঁচনিৰ ( ডি, পি, ই, পি) মূখ্য উদ্দেশ্য সমূহ হ'ল ঃ

- ৬ ৰ পৰা ১৪ বছৰ বয়সলৈ প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰা ।
- প্ৰাথমিক শিক্ষাৰ মানদণ্ড তথা পৰিবেশৰ উন্নতিকৰণ ।
- ছোৱালী শিক্ষা, অনুসূচীত জাতি , জনজাতি তথা চৰ অঞ্চলৰ শিক্ষাৰ উন্নয়ণ সাধন ।
- অকালতে বিদ্যালয় ত্যাগ প্ৰতিৰোধ কৰা ।
- আনন্দময় তথা শিশুকেন্দ্ৰিক কাৰ্য্যকলাপৰ দ্বাৰা প্ৰাথমিক শিক্ষাক আকৰ্ষনীয় কৰা ।
- সমূহ ৰাইজৰ সহযোগিতা আৰু অংশগ্ৰহণেহে জিলা শিক্ষা আঁচনিক সাফল্য মণ্ডিত কৰিব ।

বঙাইগাঁও জিলা প্ৰাথমিক শিক্ষা আঁচনিয়ে এতিয়ালৈ সম্পাদন কৰা মূখ্য কাৰ্য্য সমূহ হৈছে —

- ৩০০ ( তিনিশ ) মুকুলিকা কেন্দ্ৰ স্থাপনৰ যোগেৰে পূৰ্ব শৈশৰ শিক্ষা অথবা প্ৰাক্ প্ৰাথমিক শিক্ষা দান ।
- ৪৫ (পঞ্চলিশ) টা অনানুষ্ঠানিক শিক্ষা কেন্দ্ৰ আৰু ২৬৯ (দুশ উনসত্তৰ) খন বিকল্প বিদ্যালয় স্থাপন ।
- প্ৰতিখন গাঁওতে গাঁও শিক্ষা সমিতি গঠন আৰু ইয়াৰ সদস্য সমূহক প্ৰশিক্ষণ ।
- আঁচনিৰ অন্তৰ্ভূক্ত প্ৰতিখন বিদ্যালয়লৈ বছৰি ২০০০.০০ (দুই হাজাৰ) টকীয়া আৰ্ন্তগাঠনিক অনুদান
- প্ৰায় ৩০০০( তিনি হাজাৰ ) শিক্ষক শিক্ষয়ত্ৰীক সামৰি তিনিখলপীয়া সমূহীয়া শিক্ষক প্ৰশিক্ষণ প্ৰদান লগতে প্ৰতিগৰাকী শিক্ষকলৈ বছৰি ৫০০.০০ (পাঁচশ) চকাকৈ শিক্ষণ-শিকণ সামগ্ৰী প্ৰস্তুতকৰণ অনুদান প্ৰদান ।
- ইতিমধ্যে ৩০ (ত্ৰিশ) খন বিদ্যালয়ৰ নতুন গৃহ নিৰ্মাণ আৰু ৮৫ (পচাঁশী) খন বিদ্যালয়ত অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ ।
- ১০০ (এশ)খন বিদ্যালয়ত খোৱা পানী যোগান আৰু শৌচাগাৰ নিৰ্মাণ ।
- ৯৫ (পচান্নৱৈ) খন বিদ্যালয় গৃহৰ মেৰামতি কৰণ।

স্মৃতিগ্ৰন্থ

# কমতা দৰ্পন

সদৌ বঙাইগাঁও কোচৰাজবংশী ছাত্ৰ সন্থা আৰু উত্তৰ শালমাৰা মহকুমা (অভয়াপুৰী) চিলাৰায় জন্ম জয়ন্তীৰ ৪৯০ তম যৌথ উদযাপন সমিতিঃ অভয়াপুৰী

১৯ ফেব্ৰুৱাৰী ' ২০০০

সম্পাদকঃ খনীন্দ্ৰ চন্দ্ৰ ৰায়

OKDISCD

KAMATA DARPAN ( SOUVENIR ) : *All Bongaigaon District Koch Rajbonshi Student Union and North Salmara ( Abhayapuri) Sub-Divisional Chilarai Janma Jayanti Celebration Committee, Abhayapuri*

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| উপদেষ্টা | : | শ্ৰী বিশ্বজিৎ ৰায় |
| | | শ্ৰী ভূপেন ৰায় |
| সভাপতি | : | শ্ৰী পৰমেশ্বৰ ৰায় |
| সম্পাদক | : | শ্ৰী খনিন্দ্ৰ ৰায় |
| সদস্য | : | শ্ৰী উপেন বৰুৱা |
| | | শ্ৰীকামাখ্যা প্ৰসাদ ৰায় |
| | | শ্ৰী অতুল ৰায় |
| বেটুপাত | : | শ্ৰী ৰমেশ নাথ |
| পৰিকল্পনা আৰু অংগ সজ্জা | : | কামাখ্যা প্ৰসাদ ৰায় , অতুল ৰায় |


অৱিহনা : ১০.০০ ( দহ টকা )

মুদ্ৰক : মাইক্ৰ কম্পিউটাৰ, অভয়াপুৰী

৪৯০ তম্ বিশ্ব মহাবীৰ চিলাৰায় জন্ম জয়ন্তী উদ্‌যাপন সমিতি, অভয়াপুৰী


## উৎসৰ্গা

দেৱদাৰু নগৰী

অভয়াপুৰীৰ নিৰ্মাতা

ৰাণী অভয়েশ্বৰীৰ স্মৃতিত

OKDISCD

Biswaranjan Samal, IAS
Deputy Commissioner
Bongaigaon-783380
Assam.

STD : 03664
✆ : 20889 (O)
: 20891 (R)
FAX : 21338 (O)
: 20891 (R)

## শুভেচ্ছা বাণী

অহা ১৯ ফেব্ৰুৱাৰী,২০০০ তাৰিখে বঙাইগাঁৱ জিলাৰ অভয়াপুৰীত উদ্‌যাপিত হবলগীয়া বিশ্ব মহাবীৰ চিলাৰায়ৰ ৪৯০ তম জন্মজয়ন্তীৰ লগত সংগতি ৰাখি এখনি স্মৰণিকা প্ৰকাশৰ যো-জা কৰিব বুলি জানি মই অতি আনন্দিত হৈছো ।

এই মহান বিশ্ব মহাবীৰ গৰাকীৰ উক্ত জন্ম জয়ন্তী উপলক্ষে আমি আটায়ে তেখেতৰ গুণৰাজি স্মৰণ কৰোহঁক আৰু লগতে তেখেতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ বৰ্তমান সমাজৰ পৰা হিংসা, বিদ্বেষ আৰু সন্ত্ৰাসবাদ আতৰাই এখন সু-সংহত সমাজ গঢ়াৰ সংকল্পেৰে আগবাঢ়োঁ আহক ।

জন্মোৎসৱ উদ্‌যাপন সমাৰোহৰ সফলতা কামনাৰ লগতে উদ্‌যাপন সমিতিলৈ মোৰ শুভেচ্ছা থাকিল ।

তাৰিখ ১৪।২।২০০০ ইং

15/2/2000

উপায়ুক্ত,
বঙাইগাঁও ।

# সূচীপত্ৰ

Chilarai and his dynasty at a glance
-Ambika Charan Choudhury, Retd. Principal & Literary Pensioner. / ১

বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰাসংগিকতা - গুৰুজনাৰ আঁত ধৰি
- শৰ্মা ৰাম দাস / ৯

কোচ ৰাজবংশীৰ অতীত আৰু ভৱিষ্যত
- সুনীল বৰ্মণ / ১৩

অসমৰ জাতীয় জীৱনত বিশ্ব মহাবীৰ চিলাৰায়
- উপেন বৰুৱা / ১৭

কমতাপুৰ ৰাজ্যৰ ঐতিহাসিক পটভুমি আৰু আত্ম নিয়ন্ত্ৰণৰ প্ৰসন্দ
- পাৰ্থ সাৰথি কোচ / ২০

শতধাবিভক্ত অসমৰ বীৰ চিলাৰায়ৰ প্ৰাসংন্দিকতা
-কমলেশ্বৰ সৰকাৰ / ২৩

এটি লোক উৎসৱত নাৰী মসাজ
- দীনেশ চন্দ্ৰ ৰায় / ২৭

ডিচ্ এলাউ-( গোৱালপৰীয়া ভাষাৰ নাটিকা )
- অলেশ্বৰী ৰায় / ৩০

বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী আৰু আমি
- হৰকান্ত ৰায় / ৩৫

বিশ্ব মহাবীৰ চিলাৰায় ( কবিতা )
- অৰুণ কুঃ ৰায় / ৩৭

OKDISCD

## সম্পাদকীয়

অভয়াপুৰী আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সৌজন্যত আৰু উত্তৰ শালমাৰা মহকুমা(অভয়াপুৰী) চিলাৰায় জন্ম জয়ন্তী উদযাপন সমিতি (অভয়াপুৰী ) যুটীয়া প্ৰচেষ্টাত বঙাইগাওঁ জিলা ভিত্তিত 490 তম বিশ্ব মহাবীৰ চিলাৰায় দিৱস এই বেলি দুদিনীয়া কাৰ্য্যসূচীৰে অভয়াপুৰী গান্ধীময়দানত পাতিবলৈ লোৱা হৈছে ।

আজি এইজন মহান বীৰৰ দিৱসত আমি তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছো এজন মহান যোদ্ধা সাহিত্যিক, সংস্কৃতি, কলাৰ এক মহান পথ প্ৰদৰ্শক হিচাপে ।এই জন মহান বীৰ আমাৰ সকলোৰে এক নমস্য ব্যক্তি ।

এক মহাসমুদ্ৰক যেনেকৈ এচামুচ পানীৰে জুখি চাব নোৱাৰি তেনেদৰে এইজন মহান বীৰৰ প্ৰতিভা, গুণাৱলী মোৰ ক্ষুদ্ৰ মস্তিস্কই মোৰ সম্পদকীয় শিতানত আলোকপাত কৰা সম্ভৱ নহয় ।এইজন মহানবীৰ অকল যোদ্ধাই নাছিল , আছিল এজন সাহিত্যক আৰু কলা প্ৰেমী ।ৰাতিৰ ভিতৰত যুদ্ধৰ আখৰা চৰ্চা কৰিও নিজকে সাহিত্যিক কামত মনোনিয়োগ কৰিছিল তাৰেই প্ৰমাণ তেওঁৰ সাৰৱতী সাৰ নামৰ গ্ৰন্থখনি। বিশ্বৰ আন আন শ্ৰেষ্ঠ দিগবিজয় বীৰ সকলৰ ভিতৰত তেওঁকো আমি একে শাৰীতে থিয় কৰাব পাৰো ।কিন্তু দূৰ্ভাগ্য যে এইজন মহান বীৰক অসমৰ মানুহেই ভালদৰে নাজানে বা জানিবলৈ আগ্ৰহ নকৰে।

অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক দিশত আঘাত সনা কালাপাহাৰে ভাঙি থৈ যোৱা কামাখ্যা মন্দিৰক পুনঃ নিৰ্মাণ কৰি চিলাৰায়ে ভাৰতীয় সংস্কৃতিৰ ঐতিহ্যবাহী মহামিলনৰ তীৰ্থক পুণঃ ৰূপ দিছিল। লগতে এই জন বীৰৰ আশ্ৰয়ত অসমৰ নব বৈষ্ণৱ একশৰণ নাম ধৰ্ম্মৰ প্ৰতিষ্ঠাতা ম হাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নাম ধৰ্ম্ম প্ৰচাৰ কৰাৰ সুযোগ পাইছিল। আহক আজি 490 তম এই জনা বীৰৰ দিৱসত তেওঁক আমি পুনৰ বাৰ স্মৰণ কৰো- অকল এজন যোদ্ধা হিচাপে নহয় সাহিত্য, সংস্কৃতি, কলাৰ এজন একনিস্থ সেৱক হিচাপে ।

চিলাৰায় দিৱসৰ লগত সংলগ্ন ৰাখি এখন স্মৃতিগ্ৰন্থ উলিওৱাৰ গুৰু দায়িত্ব আমাৰ হাতত অৰ্পন কৰা হৈছিল আৰু সেই দায়িত্ব মুৰ পাতি লৈ উক্ত স্মৃতিগ্ৰন্থ খনি যুগুত কৰা হ'ল । সময়ৰ লগত খাপখুৱাকৈ অতি কমসময়ৰ ভিতৰত প্ৰবন্ধ পাতি যোগাৰ কৰি সু নিয়াৰিকৈ এখন মনপুতঃ স্মৃতিগ্ৰন্থ উলিওৱা নিশ্চয় সহজ কাম নহয় ।তথাপি চেষ্টাৰ ক্ৰটি কৰা নাই ।

অনভিজ্ঞ হাতৰ সম্পাদনাত এই স্মৃতিগ্ৰন্থ খনি কিমান দূৰ সফল হ'ব এয়া নিশ্চয় আপোনালোকৰ ওপৰত নিৰ্ভৰ কৰিছে ।মোৰ ভুলক্ৰটিৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো।

জয়তু চিলাৰায়

খনিন্দ্ৰ ৰয়

সম্পাদক, স্মৃতিগ্ৰন্থ



# Chilarai and his dynasty at a glance.

Ambika Charan Choudhury
Retd. Principal & Literary pensioner

**01. Prelude and ethnic identity (a) :**

Yuvaraj Sukladhwaj (1510-1571 A.D.) alias Sangram Singha alias the world hero Chilarai. (according to Arnold Toyanbee's assessment ), alias the 'Rasic guru' (according to Lord Sankardev ) was the younger brother of Moharaj Naranarayan (1509-1587A.D.). Moharaj Naranarayan was the emperor of greater Kamrup alias Kamata alias Koch empire of mid 16th century covering almost the entire geographical area of north east India ,south east portion of Nepal entire Bhutan and entire Bangladesh . Both the royal brothers had their formal and higher education in the Kasi alias Banaras at the hermitage of famous sage Bramhananda Sannyasi and under direct stuwardship of Poyonidhi a royal priest pandit and minister of Moharaj Biswasingha- the father of Naranarayan and Chilarai. Poyonidhi's son Kabindra Patra subsequently became minister of Moharaj Naranarayan's regime and he was third in rank and file. First the emperor Naranarayan, second Yuvaraj Sukladhavaj and third minister Kabindra Patra. His forefathers came from Mithila (modern Bihar state )and belonged of Kayastha community. Kabindra Patra subsequently established the Gauripur Raj (estate) family by forgery during the bad days of Maharaj Lakshmi Narayan the son of Maharaj Naranarayan and Raja Parikshit Narayan the grand son of Chilarai, A bronze statue of Biswabir Chilarai was formally installed and unvailed at the meeting place of Hajo-Amingaon Road on the north bank of Saraighat Rail-Cum Road Bridge on 16th.Feb/1984 ceremoniously. This writer was very intimately associated with the preparation of the image and statue at Bombay (Kalyan) and installation and inauguration ceremony with the most active patronage of late

Karmashree Hiteswar Saikia, Chief Minister of troubled Assam and Late Harendra Nath Talukdar, then Education Minister of Assam. Also a Rail-cum-Road Bridge connecting Jogighopa and Pancharatna i.e. north and south banks of the mighty Brahmaputra river was formally inaugurated on 15th April/1998 by prime minister Shri Atal Bihari Bajpai. The length of this bridge formally named "Naranarayan Setu" is 2.284 Km. costing Rs.301 crores of rupees. The present writer had requested then Chief Minister Hiteswar Saikia at 5P.M on 24th.sept/1983 in his official chamber to name the above Setu (bridge) as "Moharaj Naranarayan Setu" and his suggestive request was gladly accepted by the most active Chief Minister Late Hiteswar Saikia. But at the time of laying foundation stone of the above bridge the name plate prepared by the P.W.D Deptt. in Calcutta appeared simply "Naranarayan Setu"-deliberately or through over sight the prefix "Moharaj"had been dropped. On discovering this conspiratory misdeed of the breaucates I vehemently protested in writing also; but all are crying in wilderness as it appeared. This is also a kind of cheating by some under the coverage of govt.

(b) Ethnically Chilarai belonged to Koches-an important species of the generic 'Bodos' species like Koches, Kocharies, Rabhas, Garoes, Hajangs,Chutiyas-all constitute Bodos along with their subspecies. Due to notorious political tendencies backed by unhotty suggestions of some and concerned breaucrates all Bodos are not constitutionally declared tribals. The Koches are tribals in Meghalaya, but Scheduled Caste in West Bengal, M.O.B.C in undivided Goalpara district and O.B.C in other districts of Assam. The Kocharies (Meches, Saraniyas, Sonowals, Thengal, Deuries, Dimasas all belong to Kocharies) are tribals in all over Assam but not in two districts. Rabhas are tribals everywhere ; but the garoes are not tribals in Assam. These discrepancies are nothing but whims and caprices of the concerned political leaders and officials of state and central govt. I don't know why the Koches are punished by Govt. and by some political leaders in





powers ; why they are treated as criminals & therefore punished by the so-called popular and democratic govt controlling ruling powers since 1947 ? Is it because the Koches especially after 15th century to 1956 A.D. , became the stauwch supporters of Indian culture and civilisation ? Is it because the Koches have not yet embraced Chrstianism or Nihilism ? The Koches are now deprived from bottom to top at every step and therefore they have been assessed by a foreign writer "As draweres of waters and hewers of wood at the houses of others".

**Genealogy :(a)**

Hariya alias Haridas Mandal -a chieftaiu, established a small kingdom comprising the geographical area covered by the river Manas in the east and the river sonkoch to the west, Bhutan dwoors area in the north and the mighty Brahmaputra to the south with capital at Chiknaghar now within the district of Kokorajhar of Assam sometime in the second half of 15th. century A.D. Thereafter he expanded his kingdom and included Hajo kingdom by marriage of two daughters of Hajo alias sailary the sonless king of Hajo kingdom. Hariya mandal had two sons named Bisu and sisu alias Biswasingha and Siva singha. After the death of Hariya Mandal has first son Biswa singha became the king of the extended kingdom and siva singha became Yuvaraj of the koch-Hajo kingdom and shifted the capital to modern koch Behar town . since then koch Behar town remained the capital of the koch kings till 1956 A.D - the year in which the princely zamindary Estates of India were acquisitioned by Govt.. of India .

**(b) ,** Hariya mandal had two sons named above. Biswa singha ascended his father's throne and started expanding his kingdom and married as many as 19 queens from various neighbouring kingdoms like Kashmir, Nepal, Gaur, Kasi (Benars) sonitpur, Kamrup, Mithila etc. areas and became the father of 19 sons and few daughters. Nara singha the first son became the king of Thimphu (Bhutan), Naranarayan the second son ascended his father's throne and chilarai the third

son become the yuvaraj (next to king ) and Kamal Narayan - the 4th son subsequently became the king of Cachar (Barak Valley) etc. and all other living sons became the Heads of various administrative department under the emperor Moharaj Naranarayan (1509 to 1587). Moharaj Biswasingha - the founder of Koch alias Kamata Rajyya died in 1540 AD.

(C) The Koch kingdom alias Kamata empire during the reign of Moharaj Naranarayan extended his kingdom in length and breadth. His empire was extended upto Himalayan foothills including Bhutan and parts of south-east Nepal to the north and upto Bay of Bengal to the south including Chattagram, Tripura, Monipur etc. and upto river Ganges to the west and upto Burma to the east. This included Malda, Dinajpur, Maimansingh, Rangpur, Jalpaiguri, Maghalaya etc. Lord Sankardeva received warm patronage from both the royal brothers who constructed Kamakhya Temple in 1565 AD. and patronised many all India noted scholars in the royal court. Chilarai was not only a noble hero, an erudite scholar but also a great devotee to Aryan culture. His elder brother Naranarayan had only one son named Lakhmi Narayan ; which chilarai had also only one son named Raghudev Narayan. Bhubaneswari Devi - the cousin daughter of Lord Sankardev was the mother of Raghudev Narayan -the only son of chilarai.

### 0.3 Dynasty of Chilarai:

Raghudev Narayan became the king of greater Assam portion from river Sonkoch eastward and Lakshmi Narayan became king of greater Bengal & parts of Bihar area. Out of 5 sons of Raghudev Narayan (1) Parikhit Narayan on ascended his father's throne and started battles against his uncle Laksmi Narayan and Mughal force on political issues for nineteen years a stretch. After the unnatural death of Parikhit Narayan at the confluence (Proyag) of river Ganga near Allahabad (UP) , other three brothers revolted against Mughal (emperor Jahangir) and his second brother Bali Narayan established a separate kingdom in Darrang district known





as Darrang Raj family. Bijit Narayan the 3rd brother also established a separate kingdom known as Bijni kingdom comprising undivided Goalpara district , the 4th brother died in fighting against Mughal force and the 5th brother Gaja Narayan alias Hara Narayan established a separate kingdom comprising roughly Kamrup with capital at Guwahati. All these petty kingdoms were separately established in 1617 AD. and all these kings were the direct descendents of Biswa Mohabir Chilarai.

### 04. Beltola Kingdom :

Har alias Gojo Narayan was the founder of this kingdom with Hd. Qr. at Guwahati in 1617 AD. There after Nripendra Narayan , Gandharba Narayan , Uttam Narayan , Dhajendra Narayan , Joy Narayan, Lambador Narayan , Lok pal Narayan , Amrit Narayan Deb, Chandra Narayan Deb, Rajendra Narayan Deb. His two sons were late Kumar Jotindra Narayan Deb and late Kumar Dwijendra Narayan Devand only living daughter is Kumari Madhuri Devi ( now choudhuri). Both Jatindra Narayan Deb the son in law of Bhairabendra Nararayan Bhup Bahadur of Bijini kingdom and Dwijendra Narayan Deb in the meantime expired. Smti Suprobha Deb wife of late Dwijendra Narayan Deb is an artist and film producer. Smati Madhuri Devi ( now Choudhury ) is a very good writer, Late Jitendra narayan Deb ( expired in 1986 ) was the close associate of this writer ( Sri A. C. Choudhary ) in connection with social works.

### 05. Darrang Kingdom :-

Balit Narayan, one of the grand son of Chilarai was the founder of this Kingdom in 1671 A.D. The Ahom king honoured him as Dharma Narayan by establishing marriage relation . After Balit Narayan the flowing kings of this dynasty ruled under deferent capacities and status till 1956 the year of acquiring petty kingdoms and Zamindary, Estates of India by the Govt. After the founder king Balit Narayan, subsequent king namely Mahandra Narayan, Chandra Narayan, Indra Narayan,



OKDISCD

Modon Narayan, Mahat Narayan , Samudra Narayan, Kriashna Narayan and the last king Brajendra Narayan and there after Kumar Kulandra Narayan Dev, Kumar Jitendra Narayan Dev, Somorandra Narayan Dev ( film producer ) etc. were and are the direct descendents of the noble world hero Chilarai . Kumar Jitendra Narayan Dev was very closely associated with this present writer in connection with the process of the bronze statue of Chilarai and All Assam Koch Rajbanshi Kshatriya Sanmilloni. Late Jitendra Narayan Dev was Working President and this writer was General Secretory of above Sanmiloni.

**06. Bijini Raj Kingdom :-**

One of the immediate grand son of Chilarai was Bijit Narayan and after the unnatural death of Parikhit Narayan his elder brother, Bijit Narayan revolted against Mughal Emperor Jahangir and established a separate Kingdom named Bijini Raj covering roughly the subsequent undivided Goalpara district with capital first near modern Bijini Raj. station in1671 A.D. Then shifted to Dumuria and lastly shifted to Abhayapuri town after 1899 A.D. There after Joy Narayan , Sib Narayan , Bijoy Narayan , Mukunda Narayan , Haridev Narayan , Mohindra Narayan , Balit Narayan , Indra Narayan , Amrit Narayan , Kumud Narayan ( Husband of Rani Abhayeswari Devi) Jogendra Narayan and last Raja Bhairabendra Narayan Bhup Bahadur till 1956 A.D. Late Bhairabendra Narayan was associated in many social activities and while he was president of undivided Goalpara district branch of Bishwa Hindu Parishad , the present writer was General secretary of the Parishad. His wife Rani Sabita Devi was closely associated with Assam Natya Academy. His eldest son late Rathindra Narayan Deb was highly qualified and was the first chairman of Abhayapuri Municipality and continued till his untimely death. Late Rathindra Narayan Dev alias Buddha was an intimate friend of this writer. Buddha's ideas were most constructive and based on modern trend of thought.

07. Koch Bihar kingdom.





After the death of Chilarai in 1571 the Koch alias kamata empire was splitted into two main parts and river Sonkoch was the common boundary. The eastern portion ruled by Raghudev Narayan and the western portion was ruled by Laksmi Narayan , after the death of Mohabir Naranarayan in 1587. The eastern portion was popularly known Koch Hajo Kingdom and the western portion was known as Kochbihar Kingdom. After Lakshmi Narayan following kings and rules exercised royal power till 1956 . The last ruler was Raja Jagodipendra Narayan. After the death of Moharaj Lakshmi Narayan in 1627 A.D, the following were the subsequent kings and rulers. Lakshmi Narayan had as many as 18 sons and some daughters. Thereafter Bita Narayan, Pran Narayan, Modan Narayan , Basudev Narayan , Mohandra Narayan , Rup Narayan , Upendra Narayan , Devendra Narayan, Dharyyandra Narayan, Rajendra Narayan, Dharendra Narayan, Bijendra Narayan , Harendra Narayan, Khagendra Narayan, Sibendra Narayan, Narendra Narayan, Nripendra Narayan and last Jagadwipendra Narayan were the ruler of Kochbihar Rajya. Mohraj Nripendra Narayan was most progressive king and married Suniti Devi , daughter of Kasor Sen the leader of Braihmalsm. Due to his initiative one of his daughter Kumari Gyatri Devi was married by the Moharaja of Joypur of Rajasthan and the Moharaja of Boroda of Rajasthan gave marriage his daughter Kumari Indira Devi to one of the son of Moharaj Nripendra Narayan of Kochbihar. Ila Devi one daughter of Nripendra Narayan was also married away to the king of Tripura. Famous film music director late Sochin Dev Barman and his son Rahul Dev Barman are the direct descendent of this Tripura family. Kumar Pranabendu Narayan Dev , Retd. Judge and president of North Bengal cultural Parishad was most popular social worker with whom the present writer was very closely associated and offered this humble writer the title "Kamata Sahitya Ratna " at Dinhata conference which was attend by Moharani Gyatri Devi of Joypur Kingdom ( Rajasthan ). Late Kumar Pranabedu Narayan

attended at the installation ceremony of Chilarai at Amingaon-Hajo Chowk on 16 th. Feb/ 1984 AD. to held this writer.

**08. Raikot Dynasty in Jalpaiguri District :**

This dynasty was established by the son of Siba singha – the younger brother of Moharaj Biswasingha ( son Haria Mondal ). Thereafter Manikya Dev Raikot, Maruti Dev, Siv Dev, Mohi Dev, Bhujdev, Joydev and Darpadev Raikot etc. followed .

**09. Royal family of Panga (now in Bangladesh ):-**

This royal family was established by the son of Nara Singha ( first son of Biswa Singha ) at Panga in Rangpur district now in Bangladesh. The name of founder was Byasketu Narayan and then Madhusudhan Narayan etc. The last descendents of this royal family are now settled in Bongaigaon, Guwahati and Shillong who are now engaged in business and service and the present writer has nice relation with the living members of this family.

**10. Cochar Royal Family:-**

This royal family was founded by Kamal Narayan alias Gohin Kamal the 4th brother of Moharaja Naranarayan in Cachar district of Barak valley. He was soreceded by his two descendents and thereafter this Kingdom had been handed over to the Kochary King Tamradhaj of Maibong- Dimapur region, through marriage of the daughter of the Kamal Narayan's dynasty who had no son. After Tamradhaj, Udit Narayan, Bijoy Narayan, Dhir Narayan, Mahendra Narayan, Ranjit Narayan, Narashingha, Bhimsingha, Lakhmi Chandra, Krishna Chandra and last Gobindo Chandra and then this kingdom was taken over by East India Company in 1830 AD.

**Conclusion :-**





# বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰাসংগিকতা

## গুৰুজনাৰ আঁত ধৰি

✍ শৰ্মাৰাম দাস

কোচ ৰাজ কোঁৱৰ মল্লদেৱ আৰু শুক্লধ্বজ তেতিয়া কাশীত অধ্যয়ন কৰি আছিল। এনেতে ১৪৫৬ শকত পিতৃ মহাৰাজ বিশ্বসিংহ স্বৰ্গী হোৱাত , অধ্যয়ন সামৰি, গৃহাভিমুখে যাত্ৰা কৰে । পিচত ৰাজ্যৰ বিশৃংখল অৱস্থা দূৰ কৰি মল্লদেৱে নৰনাৰায়ণ নামলৈ বেহাৰৰ ৰাজপাটত বহিল । ভায়েক শুক্লধ্বজ যুৱৰাজ হ'ল । এইগৰাকী শুক্লধ্বজেই, সংগ্ৰামসিংহ আৰু শেষলৈ চিলাৰায় নামেৰে খ্যাত হ'ল । চিলাৰায় অকল যুদ্ধ বিশাৰদেই নাছিল এজন মহান বিদগ্ধ পণ্ডিতো আছিল । জয়দেৱৰ বিখ্যাত গ্ৰন্থ 'গীতগোবিন্দম' ৰ সংস্কৃতত টীকা ভাষ্য লিখি তেওঁৰ পাণ্ডিত্যৰ উজ্জ্বল নিদৰ্শন ৰাখি থৈ গৈছে । এইজনা চিলাৰায়ৰ পৃষ্ঠপোষকতাতে অসমৰ সাহিত্য সংস্কৃতিৰ সমাজৰ ধৰ্ম্মৰ প্ৰধান লাই খুটা স্বৰূপ, শঙ্কৰ গুৰুৰ কাৰ্য্যাৱলীৰ পূৰ্ণবিকাশ ঘটাৰ সুযোগ লাভ কৰিছিল । কিন্তু অতিদুখৰ কথা, এই মহানবীৰ জনাৰ যথাযোগ্য সন্মান প্ৰাপ্তি অসমৰাজ্যত সম্ভৱ হোৱা নাই । এইজনা বীৰকে বিখ্যাত ইতিহাসবিদে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ তিনিগৰাকী যুদ্ধ বিশাৰদৰ এজন হিচাবে গণ্য কৰিছে । সেয়ে তেওঁ বিশ্ব মহাবীৰ ।

আহোম ৰাজ্যত শ্ৰীমন্ত শংকৰদেৱ ক্ৰমাৎ ধৰ্ম প্ৰচাৰত বাধা পোৱাই নহয়, টুটুকীয়া কৰ্মকৰ্তাও ব্ৰাহ্মণ সকলৰ প্ৰৰোচনাত পৰি আহোম স্বৰ্গদেউ চুহুংমুং বা দিহিঙীয়া ৰজাৰ ৰোষত পৰি জীৱনলৈয়ে টনাটনি অৱস্থাৰ সৃষ্টি হয় । ভকত-বৈষ্ণৱ শংকৰ গুৰুৰ, ভূঁএগ সকলোকো, হাতীধৰা কাৰ্য্যত নিয়োগ কৰিলে । আচলতে আহোম স্বৰ্গদেউৱে , শাস্তি প্ৰদান কৰাৰ উদ্দেশ্যে, এনেকুৱা অনভ্যস্ত কামত ভূঁএগ সকলক লগায় । দুৰ্ভাগ্যক্ৰমে , ভূঁএগসকলৰ ফালে দিয়েই গড়ভাঙি হাতী পলোৱাত স্বৰ্গদেৱে, ভূঁএগসকলক ধৰাবলৈ চাওদাঙ পঠালে । হৰিজোঁৱাই আৰু মাধৱদেৱক ধৰি নি , স্বৰ্গদেৱে চাওদাঙৰ হতুৱাই কটালে অৱশ্যে মাধৱদেৱ ৰক্ষা পৰিল, কাৰণ অবিবাহিত মাধৱদেৱৰ মৃত্যু হ'লে কান্দিবলৈ কোনো নাই !

মুক্তি লভি, ধুৱাঁহাটত হৰিজোঁৱাই আৰু মাধৱদেৱৰ মুক্তি কামনা কৰি পালনাম পাতি থকা,



OKDISCD

শংকৰগুৰুক আদ্যোপান্ত জনোৱাত গুৰুজনাই আহোমৰাজ্য পৰিত্যাগ কৰাৰ সিদ্ধান্ত লয় ।

এনে সময়তে কোচ ৰজাই আহোম ৰাজ্য আক্ৰমণ কৰে । প্ৰবল প্ৰতাপী কোচ সেনাপতি চিলাৰায়ৰ নেতৃত্বত ৰণ কৰা, কোচ বাহিনীৰ হাতত আহোম সৈন্যৰ পৰাজয় ঘটিল, ১৪৬৮-৬৯ শকৰ যুদ্ধত । অৱশ্যে পিছলা পাৰৰ গড়ৰ যুদ্ধত কোচ সৈন্যৰ পৰাজয় ঘটি পিছুৱাবলৈ বাধ্য হয় । কিন্তু ১৪৮২ শকত কোচ সৈন্য পুনৰ দিখৌ মুখলৈকে আগবাঢ়ে আৰু ১৪৮৫ শকত চিলাৰায় নেতৃত্বাধীন কোচ সৈন্যবাহিনীৰ হাতত পৰাজয় বৰণ কৰি তেতিয়া আহোম স্বৰ্গদেউ খোৰাৰজাই নগা পৰ্বতৰ চৰাইখোৰঙলৈ পলাই যায় । সমগ্ৰ আহোমৰাজ্য কোচৰজাৰ অধীনলৈ আহে । আহোম স্বৰ্গদেৱে পিচত সোন্দৰ গোহাইকে ধৰি বহুকেইজন আহোম লোকক কোচ ৰাজকাৰেঙলৈ পঠোৱাৰ লগতে, কৰ কাটল দি কোচৰজাৰ লগত সন্ধি স্থাপন কৰে ।

কিন্তু চিলাৰায়ে অকল আহোমৰাজ্যক কৰতলীয়া কৰিয়ে ক্ষান্ত নেথাকিল । চিলাৰায়ে জয় কৰিলে কছাৰী ৰাজ্য , মণিপুৰ, জয়ন্তীয়া ৰাজ্য, ত্ৰিপুৰা ৰাজ্য, খৈৰামী ৰাজ্য আৰু ডিমৰুৱা ৰাজ্য । পূৰ্বে দিহিঙৰ পৰা , পশ্চিমে তিস্তা নৈ লৈকে পূৰ্বভাৰতৰ সমস্ত ৰাজ্য কোচ ৰাজ্যৰ ভিতৰুৱা হল । ইয়াৰ পিছত চিলাৰায়ে মন মেলিলে দক্ষিণ পশ্চিমৰ গৌড় ৰাজ্য জয় কৰাৰ । গৌড়ৰ নবাব তেতিয়া চুলেমান কোৰাণি । সেনাপতি হিন্দু ব্ৰাহ্মণৰ পৰা মুছলমান হোৱা কালাপাহাড় । কিন্তু নোৱাৰিলে, পাঠান সৈন্যই চিলাৰায়ক ঘেৰি ধৰিলে , ওলাই অহাৰ পথ নাই । শেষত নবাবৰ মাতৃক বিষাক্ত সৰ্পই দংশন কৰাত , চিলাৰায়ে নবাব মাতৃক চিকিৎসা কৰি সুস্থ কৰে আৰু লগে লগেই চিলাৰায় বাহিনীৰ লগত নবাবে যুদ্ধ বন্ধ কৰে । কিন্তু চুলেমান কোৰাণিৰ মৃত্যুৰ পিচত১৫৭৬ খৃঃত দিল্লীৰ মোগল সম্ৰাট আকবৰৰ মোগল সৈন্যই পশ্চিমৰ পৰা গৌড় দেশ আক্ৰমণ কৰে আৰু পূবৰ পৰা মোগলৰ লগত বুজাপৰাৰে মহাবীৰ চিলাৰায়ৰ নেতৃত্বত , কোচ সৈন্যই আক্ৰমণ কৰে । তেতিয়াৰ গৌড়ৰ নবাব দাউদে এই আক্ৰমণত তিষ্ঠিব নোৱাৰি যুদ্ধত মৃত্যুবৰণ কৰে । যুদ্ধৰ শেষত মোগল আৰু কোচৰ মাজত গৌড় ৰাজ্য ভাগ হ'ল । এইখিনিলৈকে যোদ্ধা বিশ্বমহাবীৰ চিলাৰায়ৰ কৃতিত্ব । চিলাৰায় এখনৰ পিচত এখন যুদ্ধ জয় কৰিছিল যদিও অত্যাচাৰী নাছিল । নাৰী আৰু শিশুক যুদ্ধৰ সময়তো সকলো প্ৰকাৰে ৰক্ষণাবেক্ষণ দিছিল । বিজিত ৰাজ্যত কোনো অত্যাচাৰ চলোৱা নাছিল ।





সেইবাবেও, বিজিত ৰাজ্য বিলাকে অকল ভয়ত নহয়, চিলাৰায়ৰ মহত্বৰ বাবে শ্ৰদ্ধাও কৰিছিল ।

এইজনা চিলাৰায়ে শংকৰদেৱৰ ভতিজা-জী কমলা প্ৰিয়া বা ভুবনেশ্বৰীক বিয়া কৰায় । তেতিয়া শংকৰদেৱে আহোমৰাজ্য ত্যাগ কৰি কোচৰাজ্যৰ ভিতৰুৱা পাটবাউসীত থিতাপি লৈছে । চিলাৰায় আৰু কমলাপ্ৰিয়াৰ বিয়াখন যি ঠাইত হৈছিল সেই ঠাইখন এতিয়াও ৰামৰায় কুঠি বুলি জনা যায় । কমলাপ্ৰিয়া আছিল ৰামৰায়ৰ জীয়েক । এই ৰামৰায় কুঠিয়েই ছত্ৰশাল । বিবাহসূত্ৰে চিলাৰায় শংকৰদেৱৰ আত্মীয় হৈ পৰিল । পিছত তেওঁ শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মত শৰণো লয় । ফলত চিলাৰায়ে গুৰুজনাক ৰক্ষা কৰাটো কৰ্তব্য বুলি ধৰি লয় । সেইমতে চিলাৰায়ে গুৰুজনাক সৰ্বপ্ৰকাৰে ৰক্ষণাবেক্ষণো দিছিল । চিলাৰায়ৰ আশ্ৰয়তে শংকৰগুৰুৱে পুনৰ এখনৰ পিচত এখন শাস্ত্ৰ ৰচনা কৰি গ'ল ।

কথিত আছে , টুটুকীয়া ব্ৰাহ্মণ পণ্ডিতৰ প্ৰৰোচনাত পৰি মহাৰাজ নৰনাৰায়ণ শংকৰদেৱৰ প্ৰতি খঙত অগ্নিশৰ্মা হৈ পৰিছিল । ব্ৰাহ্মণ সকলে তেওঁক লগাইছিল বোলে শংকৰদেৱে শাস্ত্ৰৰ বিপৰীতে কাম কৰি ধৰ্ম নষ্ট কৰিছে । নৰনাৰায়ণে হেনো কৈছিল - "শংকৰদেৱক দোষী পালে , তাৰ চালেৰে দামামা চোৱাৰ , হাড়েৰে সেই দামামা বজাব আৰু গাৰ মঙহ হেঙাল কুকুৰক খুৱাৱ" । শেষত শংকৰদেৱক মহাৰাজে ৰাজসভালৈ মাতি পঠিয়ালে । কিন্তু বীৰ চিলাৰায়ে সহজে গুৰুজনাক ৰাজসভালৈ পঠাবলৈ মান্তি নহল । মহাৰাজ নৰনাৰায়ণে শংকৰদেৱৰ সতে সাক্ষাৎ কৰি তেওঁৰ পাণ্ডিত্যৰ পৰিচয় লব খোজাতো চিলাৰায়ে নৰনাৰায়ণৰ এজন প্ৰিয় ব্যক্তিক চিলাৰায়ৰ হাতত জামিন স্বৰূপে দিলেহে শংকৰদেৱক ৰাজসভাত পঠোৱাটো সম্ভৱ হব বুলি চৰ্ত্ত দিয়াত মহাৰাজে তাকে কৰিলে । চিলাৰায়ে সসন্মানে শ্ৰীমন্ত শংকৰদেৱক ৰাজসভালৈ পঠালে । কিন্তু উঁাৰৰ বাতৰি উঁাৰে পোৱাৰ বাবে এজন অশ্বাৰোহী দূত চিলাৰায়ে নিযুক্ত কৰিছিল। কিন্তু মহাৰাজ নৰনাৰায়ণো আছিল বিদগ্ধ পণ্ডিত। গুণীয়ে গুণীৰ মোল বুজি পোৱাত পলম নহ'ল । মহাৰাজে গুৰুজনাক সম্ভ্ৰমেৰে ৰাজ সভাত আসন দিলে আৰু সদায় ৰাজ সভাত উপস্থিত হৈ ধৰ্ম আলোচনা কৰিবলৈ অনুৰোধ কৰিলে । তেতিয়াৰ পৰা গুৰুজনা কোচ ৰাজ্যত গজগজীয়া হৈ ধৰ্ম্ম প্ৰচাৰত নিশ্চিন্ত মনে ব্ৰতী হৈ পৰে । কোৱা হয় ১৮ বছৰ ৬ মাহত একুৰি সোতৰখন শাস্ত্ৰ "মথিছিল"। কীৰ্ত্তন ঘোষাৰ শেষছোৱা পাটবাউসীতে ৰচনা কৰিছিল ভাগৱতৰে পদ ৰচনা কৰে । প্ৰখ্যাত বৃন্দাবন বস্ত্ৰ চিলাৰায়ৰ অনুৰোধতে গুৰুজনাই নিৰ্মাণ



OKDISCD

কৰি, কৃষ্ণলীলা সমূহ উক্ত বস্ত্ৰত অংকিত কৰি মহাৰাজক আপ্লুত কৰিছিল । মুঠতে কোচ ৰাজ্যত আশ্ৰয় লৈ , গুৰুজনাই তেওঁৰ পূৰ্ণ বিকাশ ঘটাই গ'ল । এই ক্ষেত্ৰত চিলাৰায়ৰ অৱদান ভাবিব নোৱাৰা বিধৰ।

কিন্তু এনেহেন বীৰ যোদ্ধা , ধৰ্ম্মপ্ৰাণ , পণ্ডিত ব্যক্তি চিলাৰায়ক আমি অসমীয়া সকলে ভালদৰে নজনাই নহয় গুৰুত্বও দিয়া নহয়। অথচ শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ণ বিকাশ হোৱাত চিলাৰায়ৰ অৱদানেই সৰ্ব্বাধিক । আমি শংকৰ গুৰুক অসমীয়া সকলে যেনেকৈ সন্মান , শ্ৰদ্ধা -ভক্তি কৰো , চিলাৰায় বীৰেও তেনেকুৱা সন্মান -শ্ৰদ্ধা-ভক্তি পোৱাৰ যোগ্য।

************************

> যি জন ব্যক্তিয়ে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ অমান্তি প্ৰকাশ কৰে , সেইজন ব্যক্তি দাস হোৱাৰহে উপযুক্ত । এনে ব্যক্তি দেশৰ শত্ৰু ।
>
> – এন্দ্ৰু জেকচন





# কোচ-ৰাজবংশীৰ অতীত আৰু ভৱিষ্যত

সুনীল বৰ্মণ
অভয়াপুৰী

আজিৰে পৰা প্ৰায় পাঁচশ বছৰমান আগতে, পূবে দৰং আৰু কামৰূপ জিলা পশ্চিমে অবিভক্ত গোৱালপাৰা আৰু ৰংপুৰ জিলা (বৰ্ত্তমান বাংলাদেশত), উত্তৰে কোচবিহাৰ আৰু জলপাইগুৰী জিলা, এই বিশাল ভূখন্ড জুৰি আছিল কোচ-ৰাজবংশী জনগোষ্ঠী বসতিপুৰ্ণ এখন বৃহৎ স্বাধীন কোচ ৰাজ্য। সেই ৰাজ্যখনৰ নাম আছিল কমতাপুৰ। ম্লেচৰজা বিশ্বসিংহ আছিল সেই ৰাজ্যৰ ৰজা আৰু প্ৰাগজ্যোতিষপুৰ আছিল ৰাজ্যখনৰ ৰাজধানী। বিশ্বসিংহৰ মৃত্যুৰ পিছত তেওঁৰ জ্যেষ্ঠ পুত্ৰ মল্লদেৱে প্ৰাগজ্যোতিষ পুৰৰ পৰা ৰাজধানী স্থানান্তৰিত কৰি, ৰাজ্যৰ কেন্দ্ৰস্থল কোচবিহাৰত নতুন ৰাজধানী স্থাপন কৰি মহাৰাজ নৰনাৰায়ণ নাম লৈ এই ৰাজ্যৰ শাসনকৰ্ত্তাৰূপে সিংহাসনত আৰোহণ কৰিছিল। নিজ ভ্ৰাতা শুক্লধ্বজ ন্যায়পৰায়ণ আৰু অসীম সাহসী হোৱাৰ বাবেই তেওঁৰ হাতত এই বিশাল কমতাপুৰ ৰাজ্যৰ সেনাপতিৰ দায়িত্বভাৰ অৰ্পন কৰিছিল মহাৰজা নৰনাৰায়ণে। বীৰ সেনাপতি শুক্লধ্বজে ৰণক্ষেত্ৰত চিলাৰ দৰে চোঁ মাৰি গৈ শত্ৰুসেনাৰ ওপৰত জপিয়াই পৰি যুদ্ধ কৰিছিল বাবেই তেওঁ মহাবীৰ চিলাৰাজ আৰু পৰবৰ্ত্তীকালত বিশ্বমহাবীৰ চিলাৰায় নামে বিশ্বখ্যাত হৈ পৰিছিল। বীৰত্বত আৰু চৰিত্ৰত তেওঁ ফৰাছী বীৰ নেপোলিয়নৰ লগত তুলনীয় বাবেই তেওঁক ভাৰতৰ নেপোলিয়ন বুলি কোৱা হয়।

যিহক নৰনাৰায়ণ আৰু চিলাৰায়, এজন ৰজা আৰু আনজন সেনাপতি হ'লেও তেওঁলোক — সহোদৰ ভ্ৰাতা। গতিকে পাঁচশ বছৰ আগৰ কমতাপুৰক বৃটিছে তিনি টুকুৰা কৰি অসম, পশ্চিমবংগ আৰু বাংলাদেশৰ মানচিত্ৰৰ লগত নাটবল্টু মাৰি দিলেও আচলতে সমগ্ৰ অঞ্চলটোৰ জনগোষ্ঠী জেঠাৰ ল'ৰা-খুৰাৰ লৰা ভায়েকৰ দৰে। একে ধমনীৰ পৰা নিৰ্গত হোৱা ৰক্তপ্ৰবাহ সকলোৰে শিৰাই শিৰাই বৈ আছে। এওঁলোকৰ আকৃতি-প্ৰকৃতি, ভাষা-সংস্কৃতি, আচাৰ-ব্যৱহাৰ, পোচাক-পৰিচ্ছদত অভিন্নতাৰ চৰম নিদৰ্শণ প্ৰতীয়মান। আপাত দৃষ্টিত যদিও চেহেৰাগত আৰু ভাষাগত কিছু বৈষম্য



OKDISCD

পৰিলক্ষিত হয়, আচলতে সেয়া ভৌগলিক প্ৰভাৱৰ বাহিৰে আৰু একো নহয়। বঙ্গভূমিৰ সন্নিকটবৰ্ত্তী অঞ্চলৰ মানুহবোৰৰ ভাষা আৰু চেহেৰাপাতিত কিছু পৰিমাণে বঙ্গীয় প্ৰভাৱ পৰিছে, আহোম ৰাজ্যৰ নিকটস্থ মানুহবোৰৰ ভাষা আৰু চেহেৰাত কিছু মঙ্গোলিয়ান কাট্ আহিছে। সেইদৰে সমতলত খোঁজকাঢ়া মানুহবোৰৰ হাতভৰিত বঙালীৰ ছাপ আৰু পাহাৰ পৰ্বতত খোঁজকাঢ়া মানুহবোৰৰ হাত ভৰিত ডিমালীৰ ছাপ ফুটি উঠিছে, কিন্তু চাৰিত্ৰিক দিশত সমগ্ৰ অঞ্চলটোৰ জনগোষ্ঠী একেডাল এনাজৰিৰে বান্ধখোৱা। দুখৰ বিষয় কোচ-ৰাজবংশীসকলৰ গৌৰৱোজ্জল অতীতৰ গাত ক'লা আৱৰণ পিন্ধাই থৈছে অসম বুৰঞ্জীয়ে। অসমৰ সৰু ডাঙৰ বহুতো বীৰৰ কথা লিখা আছে অসমীয়া পাঠ্যপুথিৰ পাতত, কিন্তু ঠাই নাপালে বিশ্ববন্দিত বিশ্ববীৰ চিলাৰায়ৰ মহান বীৰত্বৰ কথা। এয়া যেন ৰামক এৰি ৰামায়ণ লিখাৰ দৰে।

পুৰণিকালৰ পৰাই সামাজিক কাজকৰ্ম্মৰ সুবিধাৰ্থে হিন্দু জাতিটোক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিটা বৰ্ণত ভাগ কৰি প্ৰতিটো বৰ্ণৰ মানুহক কিছুমান নিৰ্দ্দিষ্ট সামাজিক কৰ্মত নিয়োজিত কৰা হৈছিল। ব্ৰাহ্মণবিলাক জ্ঞানী আৰু মেধাবী হোৱাৰ বাবে তেওঁলোকে যাগ-যজ্ঞ, পূজা-পাৰ্বণ কৰিছিল। ক্ষত্ৰিয় বিলাক কম মেধাবী হলেও শাৰীৰিকভাৱে সবল আৰু সাহসী হোৱাৰ বাবে ৰাজকাৰ্য্য আৰু যুদ্ধ-বিগ্ৰহ কৰিছিল। বৈশ্যসকল চতুৰ আৰু বাক্ পটু হোৱাৰ বাবে ব্যৱসায় কৰিছিল আৰু শিক্ষা-দীক্ষাত পিচপৰা শূদ্ৰবিলাকে চুলিকটা, কাপোৰ ধোৱা, কুলা-চালনী আদি তৈয়াৰ কৰা কামত লিপ্ত আছিল। কোচ-ৰাজবংশী সকলে ক্ষত্ৰিয় বৰ্ণৰ অন্তৰ্গত হোৱাৰ বাবেই আদিকালৰ পৰাই এওঁলোকে ৰাজকাৰ্য্য পৰিচালনা আৰু যুদ্ধ-বিগ্ৰহত লিপ্ত হৈ আছিল। সেই পৰম্পৰা আৰু প্ৰৱণতা আজিও কোচ-ৰাজবংশীৰ চৰিত্ৰত পৰিস্ফুট হৈ আছে। আজি কালিও সৈন্যবাহিনী নাইবা ব্যাটালিয়নৰ চাকৰিৰ ইণ্টাৰভিউ দিবলৈ নবৈ শতাংশ কোচ-ৰাজবংশী ল'ৰাই আগবাঢ়ি যোৱা দেখা যায়।

কোনো ব্যক্তি বা সমষ্টি আৰ্থিক উন্নতি লাভ কৰিবলৈ হ'লে তাৰ দুটা গুণ থাকিব লাগিব। এটা হ'ল উচ্চ শিক্ষিত হৈ উচ্চ পদৰ চাকৰিত অধিষ্ঠিত হোৱা আৰু অইনটো হ'ল, সামান্য পুঁজি লৈ হলেও ব্যৱসায় বানিজ্যৰ জৰিয়তে লাহে লাহে ধনবান হোৱা। কিন্তু কোচ ৰাজবংশী ৰ গাত এই দুটা গুণৰ এটাও নথকাৰ বাবে এই জনগোষ্ঠী অৰ্থ নৈতিক ভাৱে যথেষ্ট পিচপৰা। তাৰোপৰি এই জনগোষ্ঠীৰ মানুহবিলাক অতিব্যয়ী আৰু অতিথি পৰায়ণ। এওঁ লোকৰ শ্লোগান হ'ল "ঋণং





কৃত্বা ঘৃতং পিবেৎ"। দহ টকা উপাৰ্জ্জন কৰিলে বিশ টকা খৰচ কৰি আত্মীয়-স্বজন বন্ধু -বান্ধৱ লৈ ভোজ মেল পাতি আমোদ ফুৰ্ত্তি কৰিবলৈ বৰ ভাল পায়। তাৰোপৰি ৰজাৰ বংশধৰ বুলিয়ে নেকি ৰাজবংশী সকলে আমিষ ভোজী সুৰাসক্ত হৈ জমিদাৰী মেজাজত থাকিবলৈ ভাল পায়।

সি যি নহওক কিয় চাৰিত্ৰিক দিশত এই জাতি সবল আৰু নিষ্ঠাবান হোৱাৰ বাবেই জটিল সমাজখনৰ কুটিল মানুহ বোৰে, এই জনগোষ্ঠীৰ মানুহবোৰৰ মুৰত কঠাল ভাঙি খায়। আনহাতে স্বল্প শিক্ষিত হোৱাৰ বাবে এই জাতিটোৰ মানুহে চাকৰি কৰে যদিও, সেয়া অফিচৰ চকিদাৰ নাইবা পিয়নৰ। উচ্চপদৰ ভিতৰত অফিচৰ কেৰানী, সৰ্ব্বোচ্চ বড় বাবু। এই একবিংশ শতাব্দীতো চেক্ৰেটাৰী, ডিৰেক্ট ৰ স্তৰত এই জন গোষ্ঠীৰ মানুহ হাতৰ আঙুলীত গণি পৰা যায়, অথচ জাতিটোৰ জনসংখ্যাৰ বিশালতা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। জনসংখ্যাৰ সৰহভাগ মানুহে অনুৰ্বৰ লাল মাটিত কৃষি কৰ্ম কৰে যদিও পলুৱামাটিৰ পৰিশ্ৰমী মুছলমান কৃষকৰ সিকি অংশও উৎপাদন কৰিব নোৱাৰে। এইবোৰ কাৰণত অৰ্থনৈতিক ভাৱে জাতিটো যথেষ্ট পিচপৰা। আৰ্থিক ভাৱে দুৰ্ব্বল কোনো জাতিয়ে আজিৰ সমাজত মূৰ দাঙি উঠিব নোৱাৰে। জন্মসূত্ৰে বা কৰ্মসূত্ৰে জাতিটোৱে ব্যৱসায় বানিজ্য নজনাৰ হেতুকে চহৰ অঞ্চলত বসবাস কৰা অৰ্থহীন হৈ পৰে, শেষত চহৰত থকা নিজৰ মাটি জমি ধুৰন্ধৰ ব্যৱসায়ী গোষ্ঠীৰ হাতত দলিল কৰি দি গাওঁমুখী হৈ পৰে। আৰ্থিক ভাৱে দুৰ্বল আৰু শিক্ষাৰ ক্ষেত্ৰত পিচপৰা ৮০ শতাংশৰ এই জনগোষ্ঠীক, ২০ শতাংশৰ বিত্তবান চতুৰ বাকপুট এচাম মানুহে মন্ত্ৰ মুগ্ধ কৰি শাসন আৰু শোষণ কৰে। এয়া যেন দুলাখ বৃটিছে চল্লিশ কৌটি ভাৰতবাসীক ভেৰা বনাই শাসন কৰাৰ দৰে উপনিবেশিকতাৰে এক নতুন নিদৰ্শন। এই জনগোষ্ঠীৰ যি দুটা এটা মন্ত্ৰী, বিধায়ক বাহিৰ হয় তেওঁলোকক ৰাজনীতিৰ নাগপাশত আবদ্ধ কৰি লগতে মগজু ধোলাই কৰি মাছৰ তেলে দি মাছ ভাজে তথা কথিত ধুৰন্ধৰ নেতা সকলে। এই জনগোষ্ঠীৰ ভোট ধন লভিবলৈ নেতা সকলে মাজে সময়ে এই আধামৰা জাতিটোৰ বাবে ঘঁৰিয়ালৰ চকুপানী টোকে কিন্তু তেওঁলোকে পাহৰি যায় আব্ৰাহাম লিঙ্কনৰ সেই অমৰ বাণী —"কিছু মানুহক কিছুদিনৰ বাবে বুৰ্বক বনাই ৰাখিব পৰা যায় কিন্তু সকলো মানুহকে চিৰদিনৰ বাবে বুৰ্বক বনাই ৰাখিব পৰা নাযায়।"

আজি আৰ্থ -সামাজিক আৰু শিক্ষা দীক্ষাত পিচপৰা এই ভূমিপুত্ৰ সকলৰ জনজাতিকৰণৰ দাবীটোক ব্যাড্‌মিন্টনৰ 'শ্বাটল কক্' বনাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এবাৰ নেটখনৰ ইফালে



OKDISCD

বিষয়ত জ্ঞান অৰ্জন কৰিবলৈ সুবিধা লাভ কৰিছিল চিলাৰায়ে ।সেয়ে গৌড় ৰাজ্যৰ ৰজাৰ মাতৃক চিকিৎসা কৰি আসন্ন মৃত্যুৰ পৰা বচাই তোলাৰ পুৰস্কাৰ হিচাপে এবাৰ তেওঁ বন্দীত্বৰ পৰাও মুকলি হৈ আহিব পাৰিছিল।

চিলাৰায় এজন যোদ্ধাই নাছিল, তেওঁ আছিল সাহিত্য সংস্কৃতিৰ এগৰাকী মহান পূজাৰী ।সাহিত্যিক প্ৰতিভা আৰু কলাক আদৰ কৰা আৰু মূল্য দিব জনা চিলাৰায়ে তীক্ষ্ণ তৰোৱাল নমাই থৈও সাহিত্যৰ সাধন কৰিব পাৰিছিল ।ইয়াৰ প্ৰমাণ দ্বাদশ শতিকাৰ বৈষ্ণৱ কবি জয়দেৱৰ সংস্কৃত ভাষাত লিখা অতি উচ্চ খাপৰ পুথি 'গীত গোবিন্দ' ৰ ভাষ্যগ্ৰন্থ সাৰৱতীত পোৱা যায় ।ই সংস্কৃত সাহিত্যলৈ এক অনবদ্য অৱদান ।

অসমৰ ৰাজনৈতিক আৰু সংস্কৃতিক জগতৰ ধুমুহা স্বৰূপ কালাপাহাৰে ভাঙি থৈ যোৱা জাতীয় সংস্কৃতিৰ ঐতিহ্যবাহী মহাতীৰ্থপীঠ কামাখ্যা মন্দিৰক পুণৰ নিৰ্মাণ কৰি ভাতৃদ্বয় নৰনাৰায়ণ আৰু চিলাৰায়ে জাতীয় সংস্কৃতিৰ মৰ্য্যদা অটুট ৰখাৰ চেষ্টাত কৃতকাৰ্য্য হৈছিল ।কামাখ্যা পীঠ আজি অসম বা ভাৰতৰে নহয় সমগ্ৰ বিশ্বৰে ( বিদেশী পৰ্যটক ) ধৰ্ম প্ৰাণ ৰাইজৰ আ কৰ্ষ ণৰ বিন্দু হৈ পৰিছে ।যাক লৈ অসমৰ মানুহে গৌৰৱ কৰোহঁক ।কিন্তু তাতোকৈ ডাঙৰ যি উপকাৰ বীৰ চিলাৰায়ে অসমীয়া জাতিৰ কাৰণে কৰি থৈ গ'ল , সেয়া আমাৰ চকুত সততে নপৰেই ।আজি অসমীয়া জাতিক লৈ গৌৰৱ কৰা প্ৰতিজন অসমীয়াই জাতিৰ গুৰু মহা পুৰুষ শ্ৰী মন্ত শঙ্কৰ দেৱক স্মৰণ কৰি আহিছে। গুৰুজনাৰ এই অনবদ্য অ ৱদানৰ আঁৰতে কিন্তু চিলাৰায়ৰ ভূমিকা উল্লেখনীয় । পুৰণি অসমত একশৰণ নাম ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ মহাপুৰুষজনাই প্ৰথম অৱস্থাত নিকাৰ ভুঞ্জিব লগা হৈছিল , গুৰুজনাৰ জীৱন চৰিত যিয়ে পঢ়িছে সিয়ে সেই কথা জানিব। প্ৰথ মে শাক্ত ব্ৰাহ্মণ আৰু পিছলৈ ৰজাৰ উপদ্ৰৱত শংকৰদেৱে আহোম ৰাজ্য ত্যাগ কৰিলে ।সেই একে বিপদৰ সন্মুখীন হ'ল কোচ ৰাজ্যত সোমাই প্ৰথম অৱস্থাত কিন্তু দূৰদৰ্শী ব্যক্তি কলানুৰাগী আৰু সাহিত্য সংস্কৃতিৰ সেৱক বীৰ চিলাৰায়ে সেই প্ৰচেষ্টাক অটুট ৰাখিলে ।গুৰু শংকৰদেৱক আশ্ৰয় দিয়াৰ বাবে তেওঁ আনকি ভাতৃ ৰজা নৰনাৰায়ণৰ বিৰুদ্ধেও অস্ত্ৰ তুলি লব লগা হৈছিল। শংকৰদেৱেও মৃত্যুৰ সময় লৈকে এই কোচ ৰাজ্যত সেনাপতি চিলাৰায় আৰু মহাৰাজ নৰনাৰায়ণৰ সহযোগত দ্বিধাহীন ভাৱে নিজৰ নাম ধৰ্ম প্ৰচাৰ কৰাৰ সুবিধা পাইছিল।

বীৰ লাচিতে শৰাইঘাট তেই শত্ৰু সেনাক প্ৰতিৰোধ কৰি অসমীয়া জাতিক উদ্ধাৰিলে ।বীৰ চিলাৰায়ে



৪৯০ তম বিশ্ব মহাবীৰ চিলাৰায় জন্ম জয়ন্তী

মহাপুৰুষ শংকৰদেৱেক কোচ ৰাজ্যত আশ্ৰয় দি অসমীয়া সংস্কৃতিক নৱজীৱন প্ৰদানত সহায় কৰিলে। তাকে নহলে হয়তো আজি অসমীয়া জাতি বা অসমীয়া সংস্কৃতি বুলি গৌৰৱ কৰাৰ কোনো বাট নাথাকিলেহেঁতেন।


বিশ্ব মহাবীৰ চিলাৰায় এজন মহান গুণী ব্যক্তি যাৰ তুলনা নাই। ধৰ্মীয় বিভেদে যাতে প্ৰজাসকলৰ মাজত সংঘাটৰ সৃষ্টি কৰিব নোৱাৰে সেই মহান দৃষ্টিলৈ তেওঁ প্ৰতিটো ধৰ্মকে সমান মৰ্যদা দিছিল আৰু কেতিয়াও কোনো ধৰ্মৰ প্ৰতি অন্যায় অবিচাৰ কৰাৰ পৰা বিৰত আছিল। তাৰ প্ৰমান এহাতে কামাখ্যা মন্দিৰ নিৰ্মাণ আৰু আনহাতে একশৰণ ধৰ্মৰ প্ৰবৰ্ত্তক গুৰু শংঙ্কৰদেৱক আশ্ৰয় দি সহায় কৰাতেই পাব পাৰি ।এই ক্ষেত্ৰত প্ৰণিধান যোগ্য যে 'আজি মোৰ দুই পুত্ৰ এজন হিন্দু আৰু এজন মুছলমান' বুলি কোৱা গৌড় ৰজাৰ মাতৃৰ সেই সম্প্ৰীতিৰ বাণী পৰৱৰ্ত্তী অসমীয়া জাতীয় জীৱনৰ বাবে সমন্বয়ৰ আদৰ্শ স্বৰূপ ।

আজি বিশ্ব মহাবীৰ চিলাৰায় ৪৯০ তম পবিত্ৰ জন্ম তিথিত আমি তেওঁক স্মৰণ কৰিব লাগে কেৱল এজন বীৰ যোদ্ধা হিচাবেই নহয় ,আমি প্ৰতিজন অসমীয়াই তেওঁক স্মৰণ কৰিব লাগে আৰু শ্ৰদ্ধা জনাব লাগে অসমীয়া জাতীয় জীৱনৰ সাহিত্য সংস্কৃতি আৰু শিল্প কলাৰ এজন একনিষ্ঠ সেৱক হিচাপে সাম্প্ৰতিক অসমৰ জাতীয় সংকটৰ উত্তুংগ সন্ধিক্ষণত আদৰ্শৰ প্ৰতিভূ এগৰাকী পথ প্ৰদৰ্শক হিচাপে।

জয় শুক্লধ্বজ ৰাই

কিছু অমঙ্গল নাই।

************************






OKDISCD

# কমতাপুৰ ৰাজ্যৰ ঐতিহাসিক পটভুমি আৰু আত্ম নিয়ন্ত্ৰণৰ প্ৰসংগ

✍ পাৰ্থসাৰথি কোঁচ

অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ সামাজিক , ঐতি হাসিক ঘটনা প্ৰবাহলৈ চকুফুৰালে আমি দেখিবলৈ পাওঁ যে কোচ ৰাজবংশী সকল কোনোদিন , কোনো কালে পৰাধীন জাতি নাছিল । সেইকথা ইতিহাসেও বাৰে বাৰে প্ৰমাণ কৰি গৈছে । কিন্তু পৰিতাপৰ কথা যে আজিৰ এই পৰিস্থিতিত বৃহৎ অসমীয়া জাতিয়ে কোচ ৰাজবংশী সকলৰ অৱদান বা অৱস্থিতিক কেতিয়াও স্বীকৃতি দিয়া নাই । জনামতে অসমত ৭০ লাখ বৃহৎ সংখ্যা গৰিষ্ঠ জনগোষ্ঠী এটাৰ বাবে বৰণীয়া গোষ্ঠীৰ সংমিশ্ৰণত গঠিত হোৱা অসমীয়া মূলসূতিত মিলিগৈ নিজৰ ভাষা, কলা-কৃষ্টিক বিপদাপন্ন কৰি তুলিছে । পৃথিবীৰ তিনি গৰাকী বিশ্ব মহাবীৰৰ এগৰাকী বীৰ চিলাৰায়ৰ বংশধৰ সকল আজি নিজকে কোচ বুলি পৰিচয় দিবলৈ লাজ কৰে । অসমৰ আন আন জাতি, জনগোষ্ঠী সমুহে একবিংশ শতিকা ৰ লগত ফেৰ মাৰিব পৰাকৈ নিজকে প্ৰস্তুত কৰাৰ বিপৰীতে কোচ ৰাজবংশী সকল কিন্তু সম্পূৰ্ণ বিপৰীত মেৰুত অৱস্থান কৰা দেখা গৈছে ।

## কোচ- ৰাজ বংশীসকলৰ সম্পৰ্কত ই তিহাসে কি কয় -

পঞ্চদশ শতিকাৰ শেষত প্ৰাচীন কামৰূপৰ পশ্চিমাঞ্চল আৰু গৌড় ৰাজ্যৰ উত্তৰ-পুৰত কমতাপুৰ ৰাজ্য আছিল । প্ৰাচীন কমতাপুৰ ৰাজ্য কামৰূপ জিলাৰ পশ্চিম অংশৰ পৰা আৰম্ভ কৰি আজিৰ উত্তৰবংগৰ কোচ বিহাৰ, জলপাইগুৰি জিলা আৰু ত্ৰিপুৰা, বাংলাদেশ আদি কৰি ভালেমান ঠাই জুৰি আছিল । ঐতিহাসিক সকলৰ মতে কোচ সকল মঙ্গোলীয়া গোষ্ঠীৰ মানুহ আছিল । কালক্ৰমত কোচ সকল হিন্দুধৰ্ম গ্ৰহণ কৰিছিল । উত্তৰ বংগ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ কোচ সকলে নিজকে ৰাজবংশী বুলি পৰিচয় দিয়ে । (অসম বুৰঞ্জী পৃষ্ঠা /২১)

নৃতত্ববিদ সকলেও মান ৰ জাতিক মূলতঃ তিনিটা ভাগত ভাগ কৰিছে, নিগ্ৰোইড, মঙ্গোলীয়া আৰু ককেচীয় । অসমৰ জনগাথনিৰ ক্ষেত্ৰত ঐতিহাসিক প্ৰব্ৰজন মূলতঃ আছিল পূৱদেশৰ প ৰা । মঙ্গোলীয় নৃগোষ্ঠীৰ প্ৰব্ৰজনেহে অসমৰ জন গাথঁনিৰ মূল আধাৰ , ককেচীয়া সকল নহয় । চীন দেশৰ ইয়াংচিকিয়াং আৰু হোৱাংহো অঞ্চলেই হৈছে মঙ্গোলীয়া সকলৰ আদিবাসস্থান । অতীজতে এওঁলোকৰ





এটা শাখা দক্ষিণলৈ নামি আহে আৰু ম্যানমাৰৰ উত্তৰ পূৱ অংশত দুটা ভাগত বিভক্ত হয় । এটা ভাগ দক্ষিণলৈ গ'লগৈ আৰু আনটো ভাগ হিমালয়ৰ পাদ দেশেৰে ভুটান, তিৰ্ব্বত, নেপাল পৰ্যন্ত বিয়পি পৰিল । পিছত এওঁলোকেই ভিন্ন সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত নামি আহিল আৰু ৰাভা-কছাৰী, বড়ো, কোচ, তিৱা, কাৰবি, ডিমাছা আদি নামেৰে পৰিচিত হ'ল ।

ইতিহাসৰ এই সমূহ বাখ্যাই কোচ সকলযে মঙ্গোলীয়া গোষ্ঠীৰ লোক, সেই কথা প্ৰতীয়মান কৰি দেখুৱাইছে । ১৮২৬ খ্ৰীঃ ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে অসম বিদেশী শক্তিৰ পৰাধীন হোৱাৰ পিছৰ পৰা শাসক বৰ্গৰ কৌশলী চক্ৰান্তত চলা অবাধ কৃত্ৰিম প্ৰব্ৰজনে জনগাঁথনিৰ স্বকীয়তাক ইতিমধ্যে বহু পৰিমাণে ম্লান কৰি পেলাইছে । কিন্তু বিচ্ছিন্ন সত্বাৰ ঐতিহাসিক সত্যক কেতিয়াও উলাই কৰিব নোৱাৰি ।

## কোচ-ৰাজবংশী সকলৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ ঃ

আজি সমগ্ৰ অসমতে কোচ- ৰাজবংশী সকলে একক বৃহৎ সংখ্যা গৰিষ্ঠতাৰে বাবে বৰণীয়া সংস্কৃতিৰ সংমিশ্ৰণত গঠিত অসমীয়া মূল সুঁতিৰ লগত আছে যদিও আন জাতি, জনগোষ্ঠীয়ে কোচ-ৰাজবংশী সকলক মাহী আইৰ দৃষ্টি ভংগীৰে গ্ৰহণ কৰাটো আমি দেখিবলৈ পাইছো । তথাকথিত ভাৰতৰ স্বাধীনতাৰ পিছত অসমৰ ভূমিপুত্ৰ কোচ- ৰাজবংশী সকলৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক , সাংস্কৃতিক দিশত পদে পদে তীব্ৰ আঘাত সহ্য কৰিব লগীয়া হৈছে । অসম ৰ আন জনগোষ্ঠী সমূহে কোচ সকলৰ সৰলতাৰ সুযোগলৈ প্ৰচাৰ মাধ্যমৰ জৰিয়তে বিভিন্ন সময়ত আ হোম শব্দৰ পৰা অসম নামৰ উৎপত্তি, চুকা ফাই অসমৰ নিৰ্মাতা । চুকাফা দিৱসক অসম দিৱস হিচাপে পালন কৰা আদি একপক্ষীয় সিদ্ধান্তৰে শোষক গোষ্ঠীয়ে ভূমিপুত্ৰ কোচ ৰাজবংশী সকলক চৰম অবমাননা কৰা বুলি কব পাৰি ।

বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিভাক আজিও বহুতেই স্বীকৃতি দিয়া নাই । অথচ পৃথিবীৰ তিনি গৰাকী মহাবীৰৰ প্ৰথম গৰাকী মহাবীৰ চিলাৰায় । আন আন দিৱসত চৰকাৰীভাবে কৌটি কৌটি টকা খৰছ কৰাৰ বিপৰীতে চিলাৰায় দিৱসত মহাবীৰ গৰাকীৰ প্ৰশস্তি গাবলৈও সময় নহয় । যি গৰাকী মহাবীৰৰ পৃষ্ঠপোষকতাত সেই সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এক শৰণীয়া বৈষ্ণৱ ধৰ্ম প্ৰচাৰ তথা সাহিত্য চৰ্চা কৰি বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় ৰক্ষা কৰিছিল , সেই গৰাকী মহাপুৰুষৰ আদৰ্শক জীয়াই ৰখাৰ বাবে চেষ্টা কৰা শ্ৰীমন্ত শংকৰ দেৱ সংঘইয়ো বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতি



OKDISCD

কোনো শ্ৰদ্ধা জ্ঞাপন কৰা দেখা নাযায় ।

সম্প্ৰতি অতি নায্যভাৱেই উত্থাপন কৰা হৈছে কমতাপুৰ ৰাজ্যৰ দাবী । ৭০ লাখ কোচ-ৰাজবংশীক যিহেতু অসমীয়া মূলসুঁতিয়ে স্বীকৃতি দিয়া নাই, গতিকে কোচ- ৰাজবংশীসকলে সুকীয়া কমতাপুৰ ৰাজ্যৰ দাবীটো কেতিয়াও অবান্তৰ হ'ব নোৱাৰে । কোচ- ৰাজবংশী সকলক এতিয়া আৰু ভাগ্য নিয়ন্তাৰ প্ৰয়োজন নাই । কোচ সকলে নিজে নিজৰ ভাগ্য নিৰ্ণয় কৰিব লাগিব । সেই সময় সমাগত । ক্ষুদ্ৰ জাতি সত্বা সমূহৰ আত্মনিয়ন্ত্ৰণৰ প্ৰসঙ্গত এডিলেড বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক আইন বিষয়ৰ অধ্যাপক ডঃ জেমচ ক্ৰ'ফডে তেখেতৰ ১৯৭৭ চনৰ প্ৰবন্ধ এটাত আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ সম্পৰ্কে এই বুলি মন্তব্য কৰিছে যে যদি ৰাজনৈতিক আৰু ভৌগলিক ভাবে স্পষ্ট বিশেষ অঞ্চলৰ ৰাইজৰ আঞ্চলিক বা ৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত অংশীদাৰ হোৱাৰ কোনো অধিকাৰ নাথাকে তেন্তে সেই অঞ্চলৰ ক্ষেত্ৰত আত্মনিয়ন্ত্ৰণৰ ক্ষেত্ৰত নায্যতা প্ৰযোজ্য হোৱাৰ প্ৰয়োজন । কাৰণ তেনেক্ষেত্ৰত সেই অঞ্চলক পৰাধীন বুলি গণ্য ক ৰাটোৱে যুক্তি সংগত হ'ব।

গতিকে এনে কিছুমান তথ্যৰ ভিত্তিতে কমতাপুৰ আৰু কোচ- ৰাজবংশীৰ আত্মনিয়ন্ত্ৰণৰ দাবী যুক্তি সন্মত । আমি আজি দেখিছো যে স্বাধীনতাৰ বিগত ৫২ বছৰীয়া শাসন কালত কোচ- ৰাজবংশী সকলক কেৱল শাসন আৰু শোষণেৰে ৰাজনৈতিক ভাবে হত্যা কৰাৰ পৰিকল্পনাক বাস্তৱত ৰূপায়ণ কৰি আহিছে । আজিৰ তাৰিখতো কোচ- ৰাজবংশী সকলৰ মাজত ৰাজনৈতিক কৌশলৰ মাধ্যমত বিভাজন নীতি বাহাল ৰাখিছে । প্ৰমাণ কোচ- ৰাজবংশীৰ জন জাতিকৰণ বিধেয়কখন । অসমৰ সকলো আদিম জনগোষ্ঠীকে জনজাতিকৰণ কৰা হ'ল । কিন্তু ভূমিপুত্ৰ কোচ- ৰাজবংশী সকলক কৰা ন হ'ল।

এই পৰিস্থিতিত অসমৰ ৭০ লাখ কোচ- ৰাজবংশী জন সাধাৰণ ঐক্যবদ্ধ হোৱাৰ সময় হৈছে । দলীয় ৰাজনীতি কৰাৰ নামত যাতে এটা জাতিয়ে চূড়ান্ত অপমানৰ বোজা মূৰত কঢ়িয়াব লগা নহয় তাৰ প্ৰতি মনোনিবেশ কৰাৰ উপযুক্ত সময় সমাগত । অন্যথায় কোচ- ৰাজবংশীৰ ভৱিষ্যত প্ৰজন্মৰ সন্মুখত জবাবদিহি হোৱাৰ লগতে বিশ্বমহাবীৰ চিলাৰায়কো তীব্ৰ অপমান ক ৰা হ'ব ।





# শতধাবিভক্ত অসমত বীৰ চিলাৰায়ৰ প্ৰাসংগিকতা

✍ কমলেশ্বৰ সৰকাৰ,

হিন্দু শাস্ত্ৰ মতে পূৰ্ণিমা তিথি এটা পবিত্ৰ তিথি। তাতে মাঘৰ মাহ যি অতি পবিত্ৰ মাহ বাৰোটি মাহৰ ভিতৰত । মাঘৰ পূৰ্ণিমা বুলি ক'লে ভক্ত সকলৰ গা ৰাইজাই কৰে, কি কৰিব কি নকৰিব। কোনোবাই গোটেই দিনটো উপবাস থাকে মুখত পানী এটুপিও নিদিয়ে কোনোবাই গোটেই নিশা উজাগৰে থাকি ঈশ্বৰৰ বন্দনা কৰে বিভিন্ন ধৰণে, বিভিন্ন মানসেৰে । এনে দিনত যদি কাৰোবাৰ সন্তান উপজে তেনেহ'লে গিৰিহঁতৰ মন কেনে হব তাক কল্পনা কৰিব নোৱাৰি । ঈশ্বৰৰ নামত , গুৰুজনাৰ নামত কিমান চাকি -বন্তি জ্বলাব আমাৰ দৰে ক্ষুদ্ৰ নৰমনিষে তাৰ হিচাব পোৱা টান।

আমাৰ এই ক্ষুদ্ৰ প্ৰবন্ধটিৰ নায়ক 'চিলাৰায়' তেনে এটি মাঘী পূৰ্ণিমাতেই পৃথিৱীলৈ নামি আহিছিল। বুকুত অসীম সাহস, হৃদয়ত অনাবিল প্ৰেম, দুবাহুত অসীম শক্তি আৰু মস্তিষ্কত প্ৰখৰ বুদ্ধি লৈ। তেতিয়া ১৬ শ শতিকা অৰ্থাৎ ১৫১০ চন । ৰাজ অন্তেষ পুৰত আনন্দৰ সীমা নাই , প্ৰজাসৱৰ বিজয়োল্লাসৰ অন্ত নাই । সকলোপিনে যেন পূৰ্ণিমাৰ জোনাকে পোহৰাই তুলিছে শস্য শ্যামলা বসুমতী আইক । মাতৃ পদ্মাৱতীৰ কামনা দিঠকত পৰিণত হল। ৰাজপুৰোহিতে জন্ম নক্ষত্ৰ চাই স্তম্ভিত হ'ল । ৰাজপুত্ৰৰ নাম ৰাখিলে "শুক্লধ্বজ"ৰ দাদা মল্লদেৱৰ ভাষাত "নুনু"ৰ (মৰমতে মতা সৰু ভাইৰ নাম) জন্ম হ'ল।

আজিৰ শতধাবিভক্ত অসম তেতিয়া নাছিল ভাবিলে কেনেবা লাগে অসম নাছিল আৰু অসমীয়াও নাছিল , বংগ দেশ নাছিল বঙালী নাছিল। উত্তৰ পূৰ ভাৰতত সেই সময়ত আছিল কোচ ৰাজ্য, আহোম ৰাজ্য, কছাৰী ৰাজ্য, খাছী ৰাজ্য,জয়ন্তীয়া ৰাজ্য আৰু অনেক ৰাজ্য । কালৰ কূটিল গতিত আজি সেই বোৰ ৰাজ্য থানবান হ'ল । চিলাৰায় হ'ল বঙালী, আমি হ'লো অসমীয়া । ইতিহাসৰ কি কৰুণ পৰিহাস। একালৰ কমতা বা কামতা ৰাজ্যৰ সৰ্ব্ব শক্তিমান ক্ষণজন্মা পুৰুষ যাৰ শৌৰ্য্যবীৰ্য্য, বীৰত্ব, কৃতিত্ব , প্ৰেম তথা পাণ্ডিত্যই সকলোকে চমৎকৃত কৰিছিল , তেওঁক এঘৰীয়া কৰিলো । ইংলেণ্ডত বাস কৰা ভাৰতীয়খিনি যেনেকৈ ইংৰাজ নহয় বা হব নোৱাৰে, তেনেকৈ চিলাৰায়ও কাহিনীও অনা অসমীয়া হব নোৱাৰে ।



OKDISCD

চিলাৰায় সদায় চিলাৰায়েই । তেওঁৰ আদৰ্শ মহানুভৱতা সহনশীলতা আৰু পাণ্ডিত্যক লৈ টনা আঁজোৰা কৰিলেও তেওঁৰ ভাব মুৰ্তিক ম্লান কৰিব নোৱাৰে । সেই সময়ৰ পূৰ্বাঞ্চলৰ মানচিত্ৰলৈ চালেই সহজে বুজিব পাৰি তেওঁ কোন আছিল।

কিন্তু বৰ দুখ তথা পৰিতাপৰ বিষয় এই ক্ষণজন্মা ব্যক্তিজনাৰ কাহিনী আমাৰ ইতিহাসৰ পাতত যিমান জিলিকি থাকিব লাগিছিল , সিমান জিলিকি থকা নাই । সেই বাবেই হয়তো অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকা দেৱে আক্ষেপ কৰি কৈছে "চক্ৰধ্বজ সিংহ ,গদাধৰ সিংহ , ৰুদ্ৰসিংহ , ৰাজেশ্বৰ সিংহ ,আতন বুঢ়াগোহাঁই , বদন বৰফুকন , লাচিত বৰফুকন প্ৰভৃতি আহোম ৰাজপুৰুষৰ বিষয়ে আমি যিমান বেছি জানো , মহাৰাজ নৰনাৰায়ণ, বীৰ চিলাৰায় , লক্ষ্মীনাৰায়ণ, পৰীক্ষিৎনাৰায়ণ প্ৰভৃতি কোচ ৰাজপুৰুষ সকলৰ বিষয়ে আমি সিমান কম জানো । চিলাৰায় , লাচিত বৰফুকন আদিকলৈ আমি অসমীয়াই গৌৰৱ কৰো , কিন্তু সেয়া হ'লেও চিলাৰায়ৰ বিষয়ে যিমান জানিব লাগিছিল তেনে কৰা হৈছে জানো ? নাই হোৱা নিশ্চয়" । আজিকালি প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ পাঠ্য পুথি বোৰত বীৰ চিলাৰায়ৰ জীৱন কাহিনীৰ ওপৰত নৱপ্ৰজন্মৰ বাবে কোনো শিকিবলগীয়া প্ৰবন্ধ পাতি ঠাই নোপোৱা হ'ল। নৱ প্ৰজন্মই সেয়ে বীৰ চিলাৰায়ৰ বিষয়ে একোকে নাজানে বুলি ক'লে বঢ়াই কোৱা নহব ।

বৰ্তমান সময়ত মহাবীৰ চিলাৰায়ৰ বহুমুখী প্ৰতিভাৰ, কৰ্মৰাজিৰ বহল মন্থন আৰু বিশ্লেষণ উলাই কৰিলে সময়ে অসমবাসীক ক্ষমা নকৰিব । অসমৰ আকাশত বিৰাজ কৰা কলা ডাৱৰ সময় থাকোঁতে আঁতৰোৱাৰ পৰিকল্পিত ব্যৱস্থা লবলৈ আমি আটায়ে জাতি, ধৰ্ম্ম , ভাষা নিৰ্বিশেষে মহাবীৰ জনাৰ আদৰ্শেৰে অনুপ্ৰাণিত হোৱাটো অতীৱ প্ৰয়োজনীয় হৈ পৰিছে।

চিলাৰায় বীৰ হ'লেও তেওঁৰ ভাতৃত্বভাৱ আছিল অতুলনীয় । পিতৃ বিশ্ব সিংহৰ মৃত্যুৰ সময়ত ককায়েক নৰনাৰায়ণ আৰু ভাতৃ চিলাৰায় সুদূৰ বেনাৰচত অধ্যয়নৰত অৱস্থাত আছিল আৰু সেয়ে জেষ্ঠ্য পুত্ৰ নৰসিংহই ৰাজপাতত বহে । নৰনাৰায়ণ আৰু চিলাৰায়ে এই বাতৰি পাই ততালিকে ৰাজধানীলৈ আহে আৰু নৰসিংহৰ পৰা বিনাযুদ্ধে ৰাজপাট বিচাৰে। যুদ্ধ বিশাৰদ নৰনাৰায়ণ আৰু চিলাৰায় অহাৰ বাতৰি পায়েই নৰসিংহই ৰাজধানী ত্যাগ কৰি নেপালৰ পাদদেশত এখন সৰু ৰাজ্য পাতি তাতেই থিতাপি লয় । সিংহাসন লৈ যুঁজ বাগৰ কৰাতো তেতিয়াৰ চিৰাচৰিত কথা, কিন্তু অগাধ ভাতৃত্বভাৱৰ বাবে তেওঁলোকৰ মাজত কোনো যুদ্ধ নহ'ল।





সেইদৰে শোষক শ্ৰেণীৰ প্ৰৰোচনাত যেতিয়া অসমীয়া জাতিৰ জনক মহাপুৰুষ শঙ্কৰদেৱে মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত বিচাৰৰ বাবে হাজিৰ হব লগা হৈছিল তেতিয়া সুন্দৰৰ পূজাৰী চিলাৰায়ে এফালে ভাতৃ প্ৰেম আনফালে ৰাজ আজ্ঞা এই সন্ধিক্ষনৰ মাজতো গুৰুজনাক ৰাজ দণ্ডৰ পৰা বচোৱাই নহয়, কিদৰে ৰাজসভাৰ বৰপীৰাত বহুৱাছিল সেৱোই হে কব পাৰিব । তেওঁৰ এই ভাতৃ প্ৰেমৰ জোৱাৰ আজি আমাৰ মাজত বোৱাবলৈ কুণ্ঠাবোধ কৰিলে নচলিব । অসম বাচিব লাগিলে প্ৰথম পদক্ষেপ এইটোৱেই ।

মাতৃপূজা যি ৰাজ্যত নচলে সেই ৰাজ্যৰ সন্তানে কাহানীত্বৰ শ্ৰেষ্ঠত্বৰ দাবী কৰিব নোৱাৰে । অকৃত্ৰিম মাতৃ ভক্তিয়ে সন্তানৰ সুখৰ আধাৰ আৰু তেনে সন্তানেই মহীয়ান হব পাৰে , শ্ৰেষ্ঠত্বৰ দাবী কৰিব পাৰে। আমাৰ সমাজত বৰ্তমানে ঘটি থকা মাতৃত্বৰ বিলাই আমি অস্বীকাৰ কৰিলে চলিব জানো ? প্ৰতিদিনে ঘটি থকা মা বাইজনীৰ বিলাই শুনিলে এনে লাগে যেন আমি চিলাৰায়ৰ দেশত বাস কৰা নাই, কোনোবা অজান দেশতহে বাস কৰিছো । অজানিতে চিলাৰায়ৰ নাম শুনিলে শত্ৰু পক্ষ পলাই পত্ৰং দিছিল, খোলা তৰোৱালৰ কথা বাদেই, কিন্তু সেইজন ব্যক্তিৰ হৃদয় মাতৃ ভক্তিৰে ভৰি আছিল । চিলাৰায়ৰ ভয়ত পলাই পাহাৰে-পৰ্বতে আশ্ৰয় বিচাৰি ফুৰা কেবাজনী ৰাজ মাতৃক তেওঁলোকৰ কৰুন মৰ্মবেদনা উপলব্ধি কৰি আথেবেথে উভতাই আনি সামান্য চৰ্তত অধিকৃত ৰাজ্য পুনৰ উভতাই দিছিল। কাছাৰৰ ইতিহাসেই তাৰ জল্ জল্ পট্ পট্ উদাহৰণ । ত্ৰিপুৰাৰ ৰাজধানী আগৰতলা হোৱাৰ মূলতে মহাবীৰ চিলাৰায়ৰ মাতৃভক্তিৰ অতুলনীয় অৱদান । সেইদৰে আহোম ৰাজ্য অধিকাৰ কৰোতে খোৰা ৰজাই ৰাজধানীৰে সৈতে মহিলাসকলক লৈ যেতিয়া নগাপাহৰালে পলাই গৈ চৰাইখোৰোঙত আশ্ৰয় লয়, চিলাৰায়ে ৰাজ মহিষী আৰু মহিলাসকলৰ সৈতে ৰজাক পাহাৰৰ পৰা নামি আহিবৰ বাবে আহ্বান জনায়। খোৰা ৰজাই সন্ধিৰ প্ৰস্তাৱ আগবঢ়াই চিলাৰায়ৰ বশ্যতা স্বীকাৰ কৰে । বীৰ সকল মহীয়ান, সেইবোৰ সকলো বীৰেই নাৰী বা মাতৃৰ প্ৰতি তেওঁলোকৰ অটল শ্ৰদ্ধা আৰু ভক্তি থাকে।

সেইদৰে ভাগ্যৰ বিড়ম্বনাৰ ফলত যেতিয়া গৌড় ৰাজ্যৰ নৱাবৰ হাতত চিলাৰায়ে পৰাজয় বৰণ কৰি বন্দী হয় সেই সময়তে নৱাবৰ মাতৃক সাপে দংশন কৰে । মাতৃভক্ত চিলাৰায়ে বন্দী অৱস্থাত মাতৃৰ কৰুণ আৰ্তনাদ শুনি নিজৰ জীৱন বিপন্ন কৰিও নৱাবৰ মৃত্যুমুখী মাতৃক সুস্থ কৰে। ফলস্বৰূপে নৱাবৰ মাতৃয়ে

OKDISCD

চিলাৰায়ক ধৰ্ম্মপুত্ৰ হিচাবে গ্ৰহণ কৰে আৰু তেতিয়াৰ পৰা হিন্দু মুছলমানৰ মাজত সম্প্ৰীতিৰ এনাজৰী ডাল প্ৰাচীন কমতাপুৰত কটকটীয়া হয়।

দুখৰ বিষয় কুৰিশতিকাৰ আশী দশকলৈকে চিলাৰায়ক অকল বীৰ বুলিহে সৰ্বসাধাৰণে জানিছিল। আমাৰ অতীতৰ বুৰঞ্জীবিদ তথা পণ্ডিতসকলৰ চূড়ান্ত অবহেলাই চিলাৰায়ক অকল বীৰ বুলিহে পৰিচয় কৰাই দিছিল। দ্বাদশ শতিকাৰ বৈষ্ণৱ কবি জয়দেৱে লিখা "গীতগোবিন্দম্"ৰ ওপৰত যুৱৰাজ চিলাৰায়ে সংস্কৃত ভাষাত ষোড়শ শতিকাৰ প্ৰচলিত হৰফত "সাৰৱতী " নামৰ ভাষ্য গ্ৰন্থখনি সংস্কৃতত ৰচনা কৰিছিল। যোৱা ইং ১৯৯১ চনতহে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বনামধন্য অধ্যাপক ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা আৰু শ্ৰী সুৰেন্দ্ৰ চন্দ্ৰ বৰা আদি কেইজন মান ব্যক্তিৰ আশাশুধীয়া চেষ্টাতহে উক্ত "সাৰৱতী" গ্ৰন্থখনৰ অসমীয়া অনুবাদখনি পঢ়ুৱৈ সমাজত দাঙি ধৰে। এই দুস্প্ৰাপ্য গ্ৰন্থখনিয়েই বীৰ চিলাৰায়ৰ বহুমুখী প্ৰতিভাৰ এক অপুৰ্ব নিদৰ্শন। অসম তথা ভাৰতীয় বুৰঞ্জীবিদ্ সকলে স্বীকাৰ নকৰিলেও সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বিখ্যাত বুৰঞ্জীবিদ আৰনলড টয়েনবিয়ে অকপটে স্বীকাৰ কৰিছে — "আজিলৈকে জন্ম গ্ৰহণ কৰা পৃথিৱীৰ শ্ৰেষ্ঠ তিনিজনা মহাবীৰৰ জ্যেষ্ঠতম হৈছে মহাবীৰ সংগ্ৰাম সিংহ ওৰফে চিলাৰায়। " পৰবৰ্ত্তী কালত কবি পীতাম্বৰ কায়স্থই মহাভাৰতৰ বিৰাট পৰ্ব অনুবাদ কৰোঁতে প্ৰশস্তি গাইছিল -

"জয় শুক্লধ্বজ ৰাই
কিছু অমন্দল নাই
বৈষ্ণৱ সৱৰ হিত
সাধে সুখ প্ৰতিনিত" ।।

সদৌ শেষত কবি শৈলধৰ ৰাজখোৱা দেৱৰ কবিতাতে সুৰ মিলাই সমস্বৰে গাওঁ—

"পূৰ্ণ হ'ল আজি পাচঁশ বছৰ
আৰু ক'ত কাল থাকিবা পৰি
উঠাহে চিলাৰায়, জাগাহে চিলাৰায় "

চিলাৰায় তুমি উঠা, জাগা – অসমৰ নৱপ্ৰজন্মৰ কলুষিত অন্তৰবোৰ ধুই পখালি পূৰ্ণিমাৰ জোনাকৰ দৰে নিকা কৰা জগাই তোলা ভাতৃভাৱ, মাতৃপ্ৰেম আৰু বীৰত্বৰ তেজ-তেতিয়াহে অসম বাচিব তোমাক সুঁৱৰিবলৈ।





# এটি লোক উৎসৱত নাৰী সমাজ

✍ দীনেশ চন্দ্ৰ ৰায়

অবিভক্ত গোৱালপাৰা জিলাৰ কোচ ৰাজবংশী অধ্যুষিত অঞ্চলৰ গাঁও বোৰত বিভিন্ন উৎসৱৰ মাজেদি গীত – নৃত্য আৰু আচাৰ বিচাৰৰ সমাবেশ দেখিবলৈ পোৱা যায়।

পৰম্পৰা ভাৱে চলি অহা এই লোক উৎসৱ বোৰক আজিও আধুনিক সমাজৰ বা-মাৰলিয়ে লুপ্ত কৰিব পৰা নাই। লুপ্ত হোৱা নাই উৎসৱত হোৱা স্বতঃ ফূৰ্ত আনন্দ; সুমধুৰ গীত মাতৰ মাধুৰ্য্য।

পুৰণি কালৰ পৰাই চলি অহা তেনে এটি নাৰী সমাজৰ লোক উৎসৱৰ পম খেদি এই প্ৰৱন্ধত চমুকৈ আভাষ দিয়াৰ প্ৰয়াস কৰিলোঁ-

প্ৰকৃতিৰ কোলাত লালিত পালিত গাৱলীয়া সমাজত ছোৱালী পুষ্পিতা হলে গোটেই গাওঁখনৰ নাৰী সমাজ উৎফুল্লিত হয়। কিয়নো ছোৱালী পুষ্পিতা হোৱা উৎসৱ গাৱলীয়া জন-সমাজৰ এক অবিচ্ছেদ্য অংগ হিচাবে প্ৰচলিত হৈ আহিছে।

সাধাৰণতে দেখা যায় আমাৰ সমাজত ছোৱালী এজনী বাৰ- তেৰ বছৰৰ ভিতৰত পুষ্পিতা হয়। যাক থলুৱা ভাষাত "লঘোণ" যোৱা বুলি কোৱা হয়।

পুষ্পিতা হোৱাৰ লগে লগে ছোৱালীজনীক ঢাৰিৰে বেৰ দি কোঠা এটাৰ মাটিত বিচনা এখন তৈয়াৰ কৰি থকিবলৈ দিয়া হয়। বৰ্হিঃ জগতৰ পৰা বিচ্ছিন্ন কৰি ৰখা এন্ধাৰ কোঠাটোত তাইক তিনিদিন ধৰি আবদ্ধ কৰি ৰখা হয়। সেই কেইদিন তাই একো নোখোৱাকৈ লঘোনে থাকে। সেয়ে ছোৱালী পুষ্পিতা হলে "লঘোন যোৱা" বুলি কোৱাৰ সাৰ্থকতা উলাই কৰিব নোৱাৰি। পুষ্পিতা ছোৱালী জনীক ঢাৰিৰে আবদ্ধ কৰি ৰখাৰ অৰ্থ হ'ল – যাতে তাই কোনো পুৰুষৰ মুখ দৰ্শন কৰাৰ পৰা বিৰত থাকে। জনশ্ৰুতি আছে যে, সেই সময়ত তাইৰ কোনো পুৰুষৰ সতে সাক্ষাত হ'লে তাইৰ হেনো পাপ হয় আৰু ভবিষ্যতে অমঙ্গল হোৱাৰ আশা থাকে। কিয়নো তাই এতিয়া গাভৰু হ'ল, ন-কইনা হ'ল।

এনেকৈয়ে ন-কইনাজনীক তিনিদিন অন্ধকাৰ কোঠাত ৰখাৰ পিছত চতুৰ্থ দিনাখন গা-ধুৱাবৰ বাবে পৰিয়ালে তৎপৰ হৈ পৰে। তাকেই 'ধুৱান্তী' বুলি কয়।

'ধুৱান্তী ' উৎসৱ পালন কৰিবলৈ পৰিয়াল তথা ওচৰ চুবুৰীয়া সকলোৱে সেই উৎসৱ পালন কৰিবলৈ উদ্বাউল হৈ উঠে।

পুষ্পিতা হোৱা ছোৱালী জনীৰ নিজৰ আত্মীয় কোনো তিৰোতাই গা-ধুৱাবলৈ প্ৰস্তুত হৈ পৰে।



OKDISCD

যি জনী তিৰোতাই পুষ্পিতা ছোৱালীজনী গা-ধুৱাব তাইক থলুৱা ভাষাত "ধুৱান্তী" বুলি নাৰী সমাজত প্ৰচলিত হয়।

উল্লেখ যোগ্য যে গা ধুওৱাৰ আগদিনা গাঁওৰে কাৰোবাৰ ঘৰত "জাপা" থৈ অহাৰ নিয়ম। জাপাটো বিশেষ বটা এটাৰ আকৃতিৰ বেতেৰে বন্ধোৱা হয়। পাণ-তামোল আদি দি গামোচা এখনেৰে টোপোলা এটা কৰি জাপি থৈ বটাটোত ৰখা হয়। তাকেই "জাপা" বুলি কয়। ধুৱান্তী উৎসৱত জাপাটোৰ মাহাত্ম্য নাৰী সমাজৰ বাবে এটা এৰাব নোৱাৰা বস্তু। সেই জাপাটোক নাৰী সমাজে সিদিনা দেৱতাৰ প্ৰতীক হিচাৰে জ্ঞান কৰে, ভক্তি কৰে । দেৱতা সদৃশ জাপাটোক নাৰীসকলে "গাজীৰাম"বুলি সম্বোধন কৰি বিভিন্ন নৃত্য-গীতেৰে আদৰে ।

"গাজীৰাম"ক উদ্দেশ্য কৰি গীত গাই গাই পুষ্পিতা ছোৱালী জনীক 'সন্তানৱতী' হবৰ বাবে আৰ্শীবাদ কামনা কৰে। 'গাজীৰাম'ক উদ্দেশ্য কৰি গোৱা গীত সমূহ ৰাজবংশী থলুৱা ভাষাৰ গীত। বিয়া সুৰীয়া গীত সমূহ বৰ্ত্তমান কালৰ বুকুত লীন হ'ল যদিও ভিতৰুৱা গাঁও অঞ্চলত এতিয়াও শুনিবলৈ পোৱা যায়। সেই গীতৰ নমুনা এটি দিয়া হ'ল –

কুষ্ঠাৰ পৰা আহিলি গাজীৰাম
কুষ্ঠায় দিলি পাৰ,
কুষ্ঠায় তোমাৰ ঘৰবাৰী
কুষ্ঠায় বাপ-মাৰ।
উজানতে গৈছিলা গাজী
সিঠায় বান্ধিতে ঘৰ
মাৰৰ নাম নীলাম্বতী
বাপ ধনেশ্বৰ।.........

পুষ্পিতা ছোৱালী জনীক গা-ধুৱাবৰ দিনাখন নাৰী সকলে সাজোন কাছোনেৰে এঘৰত থৈ অহা "জাপা"টো গীত গাই আনিবলৈ যায়। তামোল-পাণ দি বিশেষ ভাৱে সজ্জিত "জাপা" টো 2/3 জনী সৰু ছোৱালী লগ হৈ মূৰত তুলি লৈ অহা দৃশ্যটো এই লোক উৎসবটোৰ আন এটা কৃষ্টিৰ নিদৰ্শন।

তাৰ পিছত "জাপা" টো আলফুলে লৈ আনি পুষ্পিতা ছোৱালী জনীৰ উৎসৱ মুখৰ চোতালৰ পবিত্ৰ ঠাইত ৰখা হয়। জাপাটো ভালকৈ সজোৱাৰ পিছত পুষ্পিতা ছোৱালীজনীক উলিয়াই দিয়া ন-কইনাৰ দৰে অনা হয় কল গছৰ তলত।





উৰুলি জোকাৰ আৰু মাহ-হালধীৰে গাভৰু জনীক ধুৱান্তীয়ে গা-ধোৱায়। লগে লগে কইনা গাভৰুৰ মাক জনীৰ হয়তো আনন্দৰ চকুলো মিলি যায়- গা ধুওৱা শীতল পানীত । গাধোৱাবৰ সময়ত গোৱা তেনে এটি গীতৰ আভাষ–

মালভোগ কলাৰ পুলি
বাপে থৈছে তুলি
(........ ধোৱাব ধোৱাব বুলি।
ধুৱাবা ধুৱাবা ভাল কৰে ধুৱাবা
কলচীৰে ঢালিয়া পানী ।
বৌ মাছৰে শাক খাবা যদি জানা
ধুৱাবা নাজানিছ কিয় ??
ধুৱাবা ধুৱাবা ভালকৰে ধুৱাবা
গাৰে নেগাল মলি
অয় গাৰে নেগাল মলি...

এই ধুৱান্তী উৎসৱৰ আন এবিধ উল্লেখযোগ্য বস্তু চাউলৰ গুড়ি। চাউলৰ গুড়িবোৰ সিদিনা নাৰী সকলে পৰস্পৰে ইজনে সিজনক হাঁহি খিকিন্দালি কৰি মূৰত মুখত সানি দিয়ে।

গীত নৃত্যৰ মাজেদি চাউলৰ গুড়ি ৰে ইজনে সিজনলৈ ছটিওৱা দৃশ্যই এই লোক উৎসৱটোক আৰু বেছি মতলীয়া আৰু মোহনীয়া কৰি তোলে । এনেকি চাউলৰ গুড়ি ৰে সিদিনা আলহীক সোধোপোছ কৰাৰ নিয়ম পুৰণি লোক কৃষ্টিৰ আন এটি নিদৰ্শন । বৰ্ত্তমান গাওঁলীয়া নাৰী সমাজৰ এই লোক উৎসৱটোক আধুনিকতাৰ ৰং সানি বিশেষ জাকজমকতাৰে পালন কৰা দেখা যায়। বিশেষকৈ অৱস্থাবান পৰিয়ালৰ ছোৱালী পুষ্পিতা হ'লে ভোজ-ভাত খুৱাই বোম ফটকা আদি ফুটাই মাইকৰ গানেৰে মুখৰিত কৰি তোলে। বিয়া ঘৰৰ দৰে উদুলি মুদুলি লাগে "ধুৱান্তী" উৎসৱৰ পদুলি। কিন্তু দুখীয়া পৰিয়ালৰ খাদ্য বিহীন ছোৱালী পুষ্পিতা হ'লে সেই মুখৰিত ৰং তামাচাৰ পয়োভৰ নাই। হয়তো ঘাটমাউৰা কোনোবা ছোৱালী পুষ্পিতা হ'লে আমন জিমন কৈ বহি থাকে উকা-উকা লগা পঁজা ঘৰ । মুখৰিত উৎসৱৰ সলনি নিমাও-মাও হৈ থাকে সেই পুষ্পিতা হোৱা ছোৱালীজনীৰ পজাঁঘৰখন। তথাপিও নাৰী সমাজে সেই উৎসৱটো পালন কৰে পৰম্পৰা ভাৱে কিয়নো গাওঁলীয়া নাৰী সমাজৰ এই গীত -নৃত্যৰ লোক উৎসৱটো হাড়ে হিমজুৰে লগা পুৰণি উৎসৱ । সেই উৎসৱৰ গীতৰ সুৰ কোনোৱা জকাই চুকত লুকাই থাকিলেও তাক বিচাৰি উলিয়াব লাগিব গাওঁলীয়া নাৰী সমাজেই ।



OKDISCD

# ডিচ্এলাউ ( গোৱালপাৰীয়া ভাষাৰ নাটক)

✍ অলেশ্বৰী ৰায়

(এখন গাৱত এহাল বুঢ়া-বুঢ়ী আছিল । সিহঁতৰ একমাত্ৰ ল'ৰা টেপুই আছিল সিহঁতৰ আশাৰ চাকি । এই আশাৰ চাকিয়ে পঢ়ি শুনি ডাঙৰ মানুহ হোৱাৰ দুৰ্বাৰ সপোনৰ প্ৰতিফলন এই "ডিচ্এলাউ" নাটক)

বুঢ়া ঃ– (বহি থাকে, হাতত কটাৰী এখন লৈ চালনীৰ বাবে তেওঁৱাল চাচি চাচি ........)

........ঐ বুঢ়ী। ক'ত গেলিৰে , এত্তি আয়তো । খানিক কাথাকে কয়া থাকুং। গুৱাকে অল্পো নিয়া আয়। একলায় একলায় আৰো কত্বো বসি থাকিবি..... । কুনুকাতি যাবাও নাপাং–গেলেয় কেক্কেকাবি–নাগোলেও লাগে মনটো বেয়া, ঐ কাচুৱাৰ বাপটাওনা বেৰেবাৰ আসিবাৰ পায়। (হঠাৎ বুঢ়ী সোমাই আহে)

বুঢ়ী ঃ– কিয় ডাকাইলেনৰে টেপুৰ বাপ? কাৰ কাথা কৈইস? কিসেৰ জন্যে কেক্কেকাইস্ ?? মুখত কি খই ফুটিবাৰ ধইছে ???

বুঢ়া ঃ - নাহয়ৰে কি আৰো খৈ ফুটিব । একেলায় বসি বসি বেয়া লাগিছে টো ওই জন্যে তোকে ডাকাবাৰ লাকচুং । আয়টো মোৰ ওচৰত বস খানিক সুখেৰ দুখেৰ কাথাকে কঙ ।

বুঢ়া ঃ– (বুঢ়ী বহিল ওচৰত )—হবদে। তাহলে–বসুঙ তোৰ ওচৰত ।........ৰ ৰ এখান গুৱাকে আনুং। গুৱাও খাং –গলপও কৰুং ..(বুঢ়ী ভিতৰলৈ যায় আৰু কাচুৱাৰ বাপ সোমাই আহে)

কাচুৱাৰ বাপ (হৰিদাস) ঃ ও টেপুৰ বাপ । ঘৰত আসিচ না নাইৰে ?——

বুঢ়া ঃ– (উঠি মুখ ঘুৰাই) ও কাচুৱাৰ বাপ হৰিদাস নাকিৰে ....... । আয় আয় আয়ুসটাও টো কম দীঘিলা নাহয়? (পিৰা এখন আগবঢ়াই দি) বস বস এতে বস।— ঐ বুঢ়ী গুৱা খানিকবেছি কৰিয়া আন। কাচুৱাৰ বাপটাও আইছে।

হৰিদাস ঃ– পাচে তোৰ খবৰতে কেংকা? ধান-থান গিলা কাটা হইল না নাইল?

বুঢ়া ঃ– ধান কাটা হোৱাৰে মতন। ভাগুৱা দেওৱা ধান খিনি কাটা নাই হয়। জানিসকেতো পৰক কাম কৰিবা দিলে, কি ৰকম আলসিয়ামি কৰে।......

বুঢ়ী ঃ–(বুঢ়ী সোমাই আহে গুৱা বাটা লৈ )—ও তই আইসিচ। ঘৰত ভালে ভালে আছেতো? (গুৱাৰ বাটা আগবঢ়াই দিয়ে)

হৰিদাস ঃ– ও আছে আৰো । কাচুৱাৰ মাৰ অল্পো হাগা হইছিল। এলা হইছে ভাল ।

বুঢ়া ঃ– খা খা, টেপুৰ মা খানিক চাহা কৰিয়া আন । চাহটা খানিক ভাল কৰিয়া , আদা, তেজপাত দিয়া বানাইছ।





বুঢ়ী ঃ– খাওয়াৰ জুত্নী খিনি হলে থিক আছে— (বুঢ়ী ভিতৰলৈ সোমাই যায়)

হৰি ঃ– পাছে, চাওয়াটাতে ক'ত গেছে? দেখা নাপাংযে ?

বুঢ়া ঃ– এহ নাক্ইচ আৰো অৰ কাথা ।— অৰ বন্ধু এক জনেৰ মাসীৰ বিয়া— তাতে বিয়া খাবাৰ গেইছে। আজিসেন আসাৰ কাথা । কুনবেলা বা আইসে ? পৰীক্ষা এই বাৰ দিল । এইবাৰ পাছ কৰিলে তাক গৌহাটীত পঢ়াৱাৰ খুজচুং । গৌহাটীত পৰলে বোলে ডাঙাৰ মানসি হোৱাৰ পায়।

হৰিদাস ঃ– হয় নাকি ।তাহোলেতো ভালে কাথা ।। আমাৰ কাচুৱাটো ভালে বই পঢ়ে —— মুই ৰাতি ৰাতি মনে মনে উঠিয়া চাং——

বুঢ়া ঃ– আচ্চা কাচুৱাৰ বাপ, কালি বো লে কিবা ছাত্ৰ সন্থাৰ মিটিং আছে? তুই জানিস নাকি? মাইক দিয়া চিল্লাই চিল্লাই কয়া বেৰাইছে–

হৰিদাস ঃ– শুনাতো পাইছুং । কি হ'ব ইগিলা কৰিয়া ? বড়োক লাগে বড়োলেণ্ড , মিৰিক লাগে মিৰিলেণ্ড, কাৰ্বিক লাগে কাৰ্বিলেণ্ড, ৰাভাক লাগে ৰাভালেণ্ড কোচক লাগে কোচলেণ্ড , আৰো মিঞাক লাগে মিঞালেণ্ড........... আচ্ছা তোয়ে ক'তো — ইগিলা লয়া কিবা হবনা?——

বুঢ়া ঃ– নাহেইলে আৰ লয়না ? খাবো খাবো এই চুটু চুটু চাওয়া গিলাৰ মাথাত যে কি সোন্দাইছে –আৰ কবা নাপাংৰে। এই দালাল গুলাৰ জন্যেইতো ইগিলা হোবাৰ পাইছে।——

হৰি ঃ– ইগিলা ভাই যুগেৰ ধৰ্ম্ম ।

বুঢ়া ঃ – কইলেও কাহয় তোৰ কাথা নুশুনে । উল্টা টোকহে কশিব ।

হৰি ঃ অয় টেপুৰ বাপ, উগলাক ভোট দিয়া কিবা হৈবে নাকি মুই হইলে এইবাৰ কাহকে ভোট নাদুং । "যায়ে লংকাত যায় ওয়ে ৰাৱণ হয় ।" তাৰ বদলি ঘৰত বসিয়া ধাৰা পাকাইম । ওয়ে ভাল ।

বুঢ়ী ঃ– (চাহাৰ কাপ্লেট লৈ সোমাই আহে ) । হৈছে হৈছে । থ ঃ তোৰ ধাৰা পাকাৰ কাথা । (চাহা দিয়া যায় ) আগে চাহা খিনি খায়া ল ।

হৰি ঃ – শুনৰে টেপুৰ মাওঁ । টেপুৰ বাপ বোলে এইবাৰ কাহকে ভোট নাদে ।

বুঢ়ী ঃ – টেপুৰ বাপে ভোট নাদিলেও হ'ব । ওৰ ভোটটাৰ জন্যে আৰো ইলেকচান বন্ধ হয়া যাবোনা ? আমাৰ টেপুৰ লগ গিলানে কোৱা শুনচুং এইবাৰ বোলে চৰকাৰে নিজেই ভোট দিবাৰ জন্যেই মানুস জোগাৰ কৰছে ।

বুঢ়া ঃ– ধেৎ বুঢ়ী । তুই ইগিলা কি গাছত গৰু উঠাৰ মতন কাথা কইস । তুই কি লাল ঘৰেৰ ভাত খাবাৰ যাবা খুজিস নাকি ?

হৰি ঃ– ও ....... কাথাটাতো আমাৰ কাচুৱাৰ মুখতো শুনছং । তাহলে ইটা সত্যকাৰ কাথা ।

বুঢ়া হোবাৰ পায় । আজি কালিৰ মানুসে নাহোয়া কামকো হোয়া কৰি থয় । আইন কানুন পৰেৰ কাথা ।



OKDISCD

বুঢ়ী ঃ– গেইল্ গেইল্ – দেশ খান জাহাৰ নামে গেইল্ ———

হৰি ঃ– হয় হয় , টেপুৰ মাও —ঐ অফিচাৰ গিলায়তো কামকে নাকৰে । অফিচৰ চিয়াৰত মানুস নাথাকে। স্কুলত্রে মাষ্টাৰে নাপঢ়ায়। কয় কি ইখিনি ঘৰত পঢ়িয়া আসিশ। কেৱল টিউচন আৰু টিউচন ।

বুঢ়া ঃ- তুই টিক কাথা মনত ফেলেয়া দিসিশ । আমাৰ টেপুওনা ঐ অঙ্কৰ মাষ্টাৰেৰ ঘৰৰ স্কুলত টিউচনত প্ৰায় ছয় মাস মানিক পঢ়াইছিল । মোৰ দস মোন শালি ধানেৰ দাম অয়না আদায় কঢ়িয়া নিছে।

বুঢ়ী ঃ– হওকদে । উগুলা কাথা এলাও উটকায়া নাথাকিশ । যাওক ধানেৰ টাকা । তাওঁ যুদু আমাৰ চাওটা ডাঙাৰ মানুষ হয় হওকনা । আমাৰ আগোতো নাই পাছোতো নাই । এইবাৰ ছাওয়াটা পাছ কৰিলে , মুই মহামায়া ক এক্টা কালা পাঠা বলি দিম।

বুঢ়া ঃ – থ থ তোৰ কালাপাঠাৰ কাথা । তোৰ চাওয়া ট, ট, কোম্পানী কৰিয়া ঘুৰিয়া বেৰায়, আৰ মহামায়ায় তোৰ চাওাক পাছ কৰাইয়া দিবোনা ?

হৰি ঃ– মুই এলা যাং, দে টেপুৰ বাপ । তুমৰা থাক। মোৰ ভুই বাৰীত যাবাৰ লাগিব।

বুঢ়া ঃ- যাবি তাহোলে । যাদে —মাজে মাজে আসিয়া থাকিস ।——

হৰি ঃ– হ'ব হ'ব——।

(কিৰণময়ী সোমাই আহে)

কিৰণময়ী ঃ– বৌ ! ও বৌ ! বৌ — কিসেৰ গুনুৰ গুনুৰ গল্প লাগাইসি । টেপু ঘৰত নাই নেকি ? উমাৰ দেখুন আজি ৰিজাল দিছে ?

বুঢ়ী ঃ– ও কিৰণ নাকি্ৰে ? —আয় আয় কি কলি ? টেপুৰ ৰিজাল দিছে টেপু আজি তিনি দিনেই হ'ল ঘৰত নাই । ........

বুঢ়া ঃ – ঐ ভেৱেলাৰ মা, তুই ক'ত শুনিয়া আসিলি,.....

কিৰণময়ী ঃ– আমাৰ ভেবেলাৰ বাপেনা খবৰটা টাউনেৰ পৰায় নিয়া আনিসে..। কালি ভাতি বেলা নাকি উমাৰ ৰিজাল দিছে। আমাৰ ভেৱেলাবোলো থাৰ্ড ডিভি ছনত পাছ কৰিছে ....।

বুঢ়ীঃ– তাহালে আমাৰ টেপু বা কি কৰিল । হে মোৰ...........মহামায়া মাওঁ — (দুই হাত যোৰ কৰি...) এই বাৰ আমাৰ টেপু পাচ কৰিলে —মুই একহাল কালা পাঠা বলি দিম ।.........

বুঢ়া ঃ– আচ্ছা.........তুমৰা এখন গল্প কৰ । মুই অলপো বাজাৰেৰ পৰা আসুং ....... এই চাওয়াটাও ক'ত যে ঘূৰিয়া বেৰায় । আজি তিনি চাৰি দিনে হ'ল .....তাৰ কোনো খবৰ খতিয়ান নাই।

কিৰণ ঃ– দাদা, আজি বাজেৰেৰ থাকি নিশ্চয় কিবা ভাল বস্তু আনিবাৰ মনস্থ কৰিছে.......তাতে টেপুৰ ৰিজালৰ দিন।........ মিঠাই , মাছ, মাংস.......





বুঢ়ী ঃ– হইছে হইছে ........ কিৰণ। .....আমাৰ চাওয়াৰে নাই কোনো পাট্টা-পুত্তা।.......

বুঢ়া ঃ– মুই তাহালে বাজাৰেৰ ফালে যাং.......... ৰিজালেৰ খবৰ পালে নিয়া আসিম। (বুঢ়া ভিতৰৰ পৰা মোনা এখন হাতত লৈ বাহিৰেৰে ওলাই যায়।)

কিৰণ ঃ– ও বৌ কি কি শাক কৰিছা । মুই অলপ চাংদে .......... (কৈ কৈ কিৰণ ভিতৰলৈ সোমায়)

বুঢ়ী (মঞ্চত অকলে ) ঃ– হে ভগৱান । এই বাৰ টেপুক এই হাঙাৰ খান পাৰ কৰিয়া দে, একবাৰ একবাৰ কৰিয়া তিনি বাৰ কৰিয়া এই একেটা পৰীক্ষাকে দিল। হে মোৰ মহামায়া মাও..... তোক মুই ....... (এনেতে উধাতু খাই টেপু সোমাই আহে...)

টেপু ঃ– ........... মা, মা মুইনা .......... 'ডিজএলাউ' পাছ কৰিসুং..... ।

বুঢ়ী ঃ– (টেপুক সাৱটি ধৰি) ... কি কলি তুই পাছ কৰিছা ......হে মোৰ ভগৱান ..... হে মোৰ মহামায়া, হে মোৰ কাণী বিশোহৰি মাও.... হে মোৰ বাঘেশ্বৰী ........

টেপু ঃ– ..... মা। মা।। মোক এতিয়া কিবা অলপো খাবা দে.... মুই এলায় এখান মিটিঙত যাবাৰ লাগে । এখোন্নে....... বীৰেণ আসিব ।......

বুঢ়ী ঃ– ........(মুখ হাত মোহাৰি মৰম কৰি ) হায় ! হায় ! মোৰ বেচেৰা .... তোৰ মুখখান এক্কেবাৰে শুকিয়া গেছে। এই মাত্ৰ আসিয়া আবাৰ মিটিং ..... ।.......তোক কিসে পাইসেৰে ...... । ৰ' ৰ' .....মুই এখ্খনে ভাত ৰান্ধিয়া দিম। তোৰ বাবা বাজাৰেৰ দিকে গেছে...। আজি আমি মাংসৰ শাক খাম ।........(এনেতে বীৰেন সোমাই আহে)।

বীৰেণ ঃ– ঐ টেপু । তোৰ হ'লনা নাহ'লৰে ..... । সকালে ওলাও। আমাৰ হাতত বেচি সময় নাই) ।।

বুঢ়ী ঃ– ঐ বীৰেণ। তুমাৰ কিসেৰ এতো মিটিং কৰিয়া বেৰাইছ... ? কি হ'ব ইগিলা কৰিয়া ? ?......... লঙ্কাত যায়ে যায় আয়েনা ৰাবোন হয় ।.......

বীৰেণ ঃ– কিন্তু খুৰী ...... লঙ্কাত এবাৰ যাবাৰ পালে ... আৰু একোৱেই নালাগে । বাপ চৌধ্যপুৰুষ বসিয়া বসিয়া খাবাৰ পায় । ... ( এনেতে বুঢ়া বজাৰৰ পৰা মোনাৰে সৈতে সোমাই আহে )

বুঢ়া ঃ– কিৰে বীৰেণ । তুমৰা কিসেৰ আলাপ কৰছো । ৰিজাল বোলে দিছে........ । টেপুৰ খবৰ পাছে ..........

বীৰেণ ঃ– ... ভাল খুৰা । টেপুৰ ৰিজাল ভাল । ' ডিজএলাউ' পাছ ।

বুঢ়া ঃ– ...' ডিজএলাউ' পাছ । .... এইটো আৰো কেমন পাছ । মইটো আগতে শুনং নাই... ?

(বীৰেণ + টেপু ) ঃ– (দুয়োজনে একেলগে)..... খুউব ভাল পাছ । এইবাৰ কোনো কিতাপ-পত্ৰ কিনিবাৰ নালাগে । ... স্কুলতো যাবাৰ নালাগে ... খালী বছৰেৰ মূৰত পৰীক্ষা দিলেই হ'ল ।......



OKDISCD

বুঢ়া+ বুঢ়ী ঃ– (দুয়োজনে ক'ব) — হে মোৰ মহামায়া মাও .... তুমাৰ দয়া অপাৰ ।... হে ভগৱান ...।

টেপু ঃ–.. মা.. মা !! ..মোক সকালে সকালে কিবা খাবাৰ দে ..।

বুঢ়ী ঃ– দিঙ ! দিঙ !! .. মই এখোনে তোৰ জন্যে খাবাৰ নিয়া আনুং ... (ভিতৰলৈ যায় )

বুঢ়া ঃ– মুই কিন্তু ... 'ডিজএলাউ ' পাছ আগতে শুনং নাই । ও ভেবেলাৰ বাবাক কাথাটা পুছিবাৰ লাগিব ।....

বীৰেণ ঃ– নাহয় খুৰা ! ' ডিজএলাউ' পাছ মানে খুউব ভাল পাছ ।...

( ভিতৰৰ পৰা কিৰণময়ী সোমাই আহে )

কিৰণময়ী ঃ– ... কি কলি ? ' ডিজএলাউ ' পাছ ?? ডিজএলাউ পাছটো পাছ নহয় .......।

(টেপু + বীৰেণ) ঃ– (দুয়ো কিৰণময়ীৰ ওচৰলৈ গৈ কথা কবলৈ বাধা দিয়ে....) নাই নাই খুৰী !...

বুঢ়া ঃ– কি হ'ল টেপু ? বীৰেণ ?? ... 'ডিজএলাউ ' পাছ মানে ? ডিজএলাউ পাছ........

কিৰণময়ী ঃ– ..' ডিজএলাউ' মানে.... পাছ নহয় (বীৰেণ লগে লগে মঞ্চৰ পৰা পলায় টেপুয়ো পলাব খোজে.... এনেতে বুঢ়ী ওলাই আহি টেপুৰ সন্মুখতে থিয় দিয়াত টেপুৰ কাৰণে অনা খাদ্য বস্তুখিনি হাতৰ পৰা পৰি যায় )...

বুঢ়া + বুঢ়ী ঃ– .. কি কলি ' ডিজএলাউ ' মানে পাছ নহয় ? ... তুই মিছা কাথা কোয়া আমাৰ অ'ত গিলা টাকা পয়চা নষ্ট কৰিলি ... ( টেপুয়ে পলাব খোজে — বুঢ়ায়ে চালনীৰ তেওয়াল , বাঁহ আদিৰে কোবাই কোবাই ...)

বুঢ়া ঃ–মোৰ অত গুলা টাকা-পয়চা, কুৰি মোন ধান । হায় ভগৱান । তোক মুই আজি একেবাৰে শেষ কৰিম।।

বুঢ়ী ঃ– (কপালত আৰু মাটিত হাত দুখন মাৰি মাৰি ..) ........ হায় ! হায়।... মোৰ মহামায়া মাও... মোৰ কাণি বিশোহৰী মাও.....

কিৰণ ঃ– (বুঢ়াই টেপুক কোবাই থকা অৱস্থাত ...) দাদা, দাদা।। নাপায়,নাপায় , চাওয়াটাক একেবাৰে মাৰিয়া ফেলাবি নাকি?.... ইগিলা ভগৱানেৰ লীলা ..... তুই...মুই কি কৰিবাৰ পাঙ। ....(টেপু ঘৰৰ পৰা পলাই ওলাই যায়) ।

বুঢ়ী ঃ– (কিৰণক সাবটি) .... ও' কিৰণ ....... মোৰ এখন কি হ'ব কিৰণ ...... মুই কেনতে বাচিয়া থাকিম ।...(এটি হুলুস্থূল পৰিবেশৰ মাজত আৰ কাপোৰ পৰে) ...."ডিজএলাউ" পাছ কৰিয়া চাওয়া মোৰ যায় ঘৰ চাৰিয়া ....মুই থাকিম .কি কৰিয়া........





# বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী আৰু আমি

✍ শ্ৰীহৰকান্ত ৰায়

এটা জাতি বা এখন দেশৰ পূজ্য নমস্য ব্যক্তি সকল হ'ল সেই দেশৰ বীৰ পুৰুষ সকল । আজি মহাবীৰ চিলাৰায়ৰ ৪৯০ তম জন্ম জয়ন্তী সমগ্ৰ অসমৰ গাৱেঁ ভূঞে , নগৰে-চহৰে মহা ধুম্-ধামেৰে চৰকাৰী-বেচৰকাৰী ভাবে পালন কৰা হব । আমি ইয়াত অকল মহাবীৰ চিলাৰায়ৰ জন্মজয়ন্তী পালনৰ কথাকেই কব বিচৰা নাই , সকলো জ্ঞানী গুণী, বীৰ -মহাবীৰৰ জন্ম জয়ন্তীৰ কথা সামৰি লৈছো । এটা জাতিৰ দাপোণ স্বৰূপ সেই বীৰ বা মহাপুৰুষ সকলে কিমান কষ্ট ত্যাগ, সাধনা কৰি নাম যশ লাভ কৰি বৰ্তমান পুৰুষৰ বাবে সাঁচি থৈ গৈছে অথচ আমি আজিলৈকে তেওঁলোকৰ কৰ্মবাজিৰ পৰা একোৱে শিক্ষা লাভ কৰিব পৰা নাই , ভাবিলে কেনেকুৱা লাগে বাৰু ? প্ৰতি বছৰে এবাৰ বীৰ মহান পুৰুষজনক সোঁৱৰণ কৰিলেই আমাৰ কৰ্ত্তব্য শেষ বুলি ধৰিলেই জানো হব ? বীৰ বা মহান ব্যক্তি জনে কৰা ত্যাগৰ আমি মূল্যায়ণ কৰিবলৈ শিকিব লাগিব ।

মহাবীৰ চিলাৰায়ে এহাতে চিলনীৰ দৰে শত্ৰুৰ ওপৰত জপিয়াই যুদ্ধ কৰি আকৌ অৱসৰৰ সময়ত যুদ্ধৰ কৌশল বা পৰিককল্পনা ৰচনা কৰাৰ উপৰিও জয়দেৱৰ কৃত গীত গোবিন্দমৰ ওপৰত "সাৰবতী " টীকা ৰচনা কৰি কাললৈ খ্যাতি অৰ্জন কৰি থৈ গৈছে । সেই বাবে চিলাৰায়ক এজন বিদগ্ধ পণ্ডিত বুলি কব লাগিব । বিশ্বৰ তিনিজনা বীৰৰ প্ৰথম জনা বীৰ চিলাৰায় , দ্বিতীয়জনা নেপোলিয়ন বোনাৰ্পাট আৰু তৃতীয়জনা ছত্ৰপতি শিৱাজী । এয়া আমি কোৱা বা দিয়া উপাধি নহয় , বুৰঞ্জীবিদ "Arnold Toynbe" ৰ আখ্যাহে , যিটো বিশ্ব বুৰঞ্জীত লিখা আছে অসম বা ভাৰত বুৰঞ্জীত নাই ।

আজি আমি কৰ্ত্তব্যত বিমুখ হৈ পৰিছো অথচ কৰ্মই হৈছে ধৰ্ম্ম । পৃথিৱীত কৰ্ম্মৰ ওপৰত আন কোনো ধৰ্ম্ম নাই । যিজনে কৰ্ম্ম এৰি ধৰ্ম্ম কৰে তেওঁ সমাজৰ পূজ্য ব্যক্তি হবই নোৱাৰে । ইংৰাজ সকল ভাৰতৰ পৰা এনেই যোৱা নাছিল । যিমান আন্দোলন চলিছিল ইংৰাজে আমাৰ দেশৰ মানুহৰ দ্বাৰাই দমন কৰিছিল । চিপাহী চন্তৰীবোৰ জানো ভাৰতীয় নাছিল ? "Divide and Rule " নীতি প্ৰয়োগ কৰি এশবছৰৰ অধিক কাল শোষণ-শাসন কৰি গ'ল । কিন্তু মহাত্মা গান্ধীৰ অহিংসা আন্দোলনৰ ফলত ইংৰাজসকল ভাৰতৰ পৰা আঁতৰি গ'ল – ইয়াৰ মূল কাৰণ হ'ল ব্যৱসায়-বাণিজ্য, কাৰণ ইংৰাজ সকল আহিছিল ব্যৱসায় কৰাৰ উদ্দেশ্যে । কিন্তু গান্ধীজী যেতিয়া বিদেশী বস্তু বৰ্জনৰ আন্দোলন ঘোষণা কৰিলে , ইংৰাজ সকল মাৰ খাই গ'ল । তাৰ পাছত আহিল অসহযোগ আন্দোলন । ইংৰাজৰ লগত কোনো ভাৰতীয়ই সহযোগ কৰিব নোৱাৰিব । ইয়ো যুদ্ধৰে এটা কৌশল । হাতেৰে নোৱাৰিলে ভাতেৰে মৰা বা ৰাজনীতিৰে মৰা । যি ইংৰাজ ১৯ শতিকাৰ পূৰ্বে অসভ্য আছিল, কাপোৰ পিন্ধিব নেজানিছিল , নঙঠা হৈ ফুৰিছিল , জুইৰ ব্যৱহাৰ নেজানিছিল সেই ইংৰাজসকল আজি পৃথিৱীৰ ভিতৰতে আগবঢ়া । ৰামায়ণ - মহাভাৰতৰ যুগৰ পৰাই সভ্য , আমি কিন্তু আজিলৈকে পিচপৰা । ইয়াৰ মূল কাৰণ নিশ্চয় আমাৰ কৰ্ম বিমুখতা ।



OKDISCD

অৱশ্যে আমাৰ ওচৰৰে মাৰোৱাৰী, গুজৰাটী, বঙালী, পঞ্জাৱী ভাই সকলে ভাৰত তথা বিশ্বৰ বিভিন্ন প্ৰান্তত ব্যৱসায় বাণিজ্য চলাবলৈ সক্ষম হৈছে। কৰ্মই ধৰ্ম এই কথা তেওঁলোকে ভালদৰে বুজি পাইছে। অকল চাকৰি বা ৰাজনীতি কৰি এটা জাতি জীয়াই ৰাখিব নোৱাৰে। আমি অসমীয়া তথা ৰাজবংশী সকলে পাৰিছোনে ? কিবা কৰিবলৈ ? আমি আজি ব্যস্ত হৈ পৰিছো ৰাজনীতি কৰাতহে, অৰ্থনৈতিক বিপ্লবৰ কথা পাহৰিছো। অসম সাহিত্য সভাই পাৰিছেনে ভাল এটা অৰ্থনৈতিক চিন্তা ধাৰা দিবলৈ ? অসমৰ ৰাজনীতি কৰা দল তথা ব্যক্তি সকলে, সদৌ অসম ছাত্ৰ সন্থাই, জাতীয়তা বাদী যুব ছাত্ৰ পৰিষদে, কোচৰাজবংশী সন্মিলনী আদিয়ে লৈছেনে তেনে কোনো অৰ্থনৈতিক পৰিকল্পনা ? কৰিব পাৰিছেনে কোনোবা সংগঠনে শিল্প, উদ্যোগ গঢ়ি তুলিব ? অসমৰ ৯০ শতাংশ লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষি ব্যৱস্থাৰ উন্নতি কিবা হ'লনে ? কৃষকৰ ল'ৰাই ৪০/৫০ শতাংশ নম্বৰ পাই কৃষি বিশ্ব বিদ্যালয়ত অধ্যয়ণত সুযোগ পোৱাৰ কোনোবাই দাবী তুলিবনে ? চহৰৰ ৬০/৭০ শতাংশ নম্বৰ পোৱা বোকা পানী নগচকা, ধান চিনি নোপোৱা ল'ৰাই কিতাপৰ পাঠ পঢ়ি ডিগ্ৰী ললে দেশৰ কৃষি ব্যৱস্থাৰ উন্নতি হবনে ? ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত অসমৰ ৭০ খন সৰু ডাঙৰ চহৰত কেইজন অসমীয়া মানুহে ব্যৱসায় কৰিছে তাৰ হিচাপ কোনোবাই ৰাখিছেনে ? কাপোৰ ধোৱা, লেপ চিলাই কৰা, চুলি কটা, ঠেলা-ৰিক্সা চলোৱা সকলোবোৰ মানুহ অসমৰ নে ? গুৱাহাটী, ডিব্ৰুগড় যতে চোৱা যায় তাতেই দেখিব বাহিৰৰ মানুহ। আমি কেৱল চাকৰি মুখী শিক্ষা গ্ৰহণ কৰি আজি কৰ্মোদ্যম হেৰুৱাই কে ৱল ৰাজনীতি কৰি নিজে নিজক শেষ কৰিছো। বিশ্ব মহাবীৰ জনাৰ কৰ্মৰ আৰ্হি আমি কেই জনে লৈছো ? মোগলক খেদিবলৈ কোনে যুজ কৰিছিল ? কমতাপুৰৰ যোদ্ধা বাসিন্দা সকল নহয় জানো ? মোগল সেনাপতি ৰামসিংহ ই সেই যোদ্ধা সকলক কৰা প্ৰশংসা " এজন সেনাই স্থলত যুদ্ধ কৰিব পাৰে, নাওঁ বাব পাৰে, হিলৈ মাৰিব পাৰে, গড় বান্ধিব পাৰে, এনে নিপুণ সৈন্য পৃথিৱীৰ কতো দেখা নাই।" সেই চিলাৰায়ৰ বংশধৰ সকলৰ আজি অৱস্থা পানীত হাঁহ নচৰা। এতিয়া কোচ ৰাজবংশী সকলে জনজাতিকৰণৰ দাবী তুলিছে জনগোষ্ঠীটোৰ উন্নতিৰ পথ বিচাৰি। প্ৰতি বছৰে বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী পালন কৰি কোনে কিমান পৰিকল্পনা লয় তাৰ হিচাপ প্ৰতিটো চিলাৰায়ৰ জন্ম জয়ন্তী বা মহাপুৰুষ সকলৰ জন্ম জয়ন্তীত পৰ্যালোচনা হব লাগে। গোটেই বছৰত কিমান কৰিলো, কি পৰিকল্পনাৰে এটা জাতি, এখন দেশ উন্নতিৰ শিখৰত আগ বাঢ়িব তাৰো আলোচনা হব লাগে। থলুৱা ঠেলা চালক, ৰিক্সা চালক, থলুৱা নাপিত, ধু বি আদিক পুৰস্কৃত কৰা, ভাল কৃষক আদিক পুৰস্কৃত ক ৰাৰ ব্যৱস্থা কৰিব পাৰিলে বিশ্ব মহাবীৰ চিলাৰায় বা মহাপুৰুষ সকলৰ জন্ম জয়ন্তী পালন কৰা সাৰ্থক হব। নহলে টকা পইচা খৰচ কৰি পালন কৰা উৎসৱৰ প্ৰকৃত মূল্যায়ন নহব, কোনো সাৰ্থকতা নাথাকিব। ইয়াৰে আজিৰ লেখা সামৰিছোঁ। ত্ৰুটী মাৰ্জনা বিচাৰিছো। প্ৰতিজন ব্যক্তি একো একোজন বিশ্বমহাবীৰ ন'হলেও জাতীয় বীৰ গঢ় দিয়াত এশ শতাংশ নোৱাৰিলেও এক ভাগ হবলৈ যত্ন কৰক।

জয় শুক্লধ্বজ ৰাই

কোনো অমঙ্গল নাই।





## বিশ্ব মহাবীৰ চিলাৰায়

অৰুণ কুমাৰ ৰায়

হে, বিশ্ব মহাবীৰ চিলাৰায়।
তুমি, অসি, মসীত গৰীয়ান,
নীতি, শাস্ত্ৰ, বিশাৰদ,
জ্ঞানী, বৈদ্য, ৰসিক প্ৰধান।
বল, বীৰ্য্য, চাতুৰ্য্যতাত
তুমি বিচক্ষন,
গোষ্ঠীৰ স্থিতি, সংস্কৃতি বিশাৰদ
জ্ঞান মাৰ্গত স্থিত প্ৰজ্ঞ সুনিপুন
কোচ ৰাজবংশেৰ যশ মৰ্য্যাদা
ভাষা কলা, কৃষ্টিৰ স্ৰষ্টা,
বিশ্ব মহাবীৰ নামে খ্যাত
বংশ গৰিমাত খ্যাতনামা।
বাহন আছিল তোমাৰ শ্বেত অশ্ব
অত্যন্ত তীৰ বেগী,
কৌশলী তুমি ৰণ নীতিত,
যোদ্ধা তুমি অশ্বাৰোহী।
ধৈৰ্য্য তোমাৰ অপৰিসীম
বিক্ৰমত সিদ্ধহস্ত
দুষ্টেৰ দমন, শিষ্টেৰ পালক
তুমি প্ৰশাসনত পৰিপক্ক।
ধৰ্ম্মত তোমাৰ সমভাৱ
কৰ্ম্মত অসীম ধৈৰ্য্য,
জাতি ধৰ্ম্মেৰ বি দ্বষী জনক
কৌশলে কৰিছ আয়ত্ব।
হিংসা, নিন্দা, বিবিধ গ্লানি
অমানুষিক কৰ্ম্ম কীৰ্ত্তি,
অৱস্থা ভেদে ব্যৱস্থা কৰাৰ
তুমি পক্ষপাতি।
মান অপমান যশ মৰ্য্যাদাক
তুচ্ছ জ্ঞান কৰিস
মানৱ সেৱাৰ সক্ষ্য ভাবত
সদায় মগ্ন থাকিস।
মৰিয়াও অমৰ লোক সমাজত
প্ৰতিভাত দীপ্তিমান
তোৰ গৌৰৱত, গৌৰৱান্বিত হয়।
কোচ ৰাজবংশী গোষ্ঠী আজি, নিৰ্ণয় কৰে যশমান।
জ্ঞাতিৰ খ্যাতি, বীৰ্য্য বিক্ৰম দেখেয়া
চিৰোপৰিচ হৈছ এই মহীতলে
চিৰ নমস্য তুমি বীৰ চিলাৰায়।।



OKDISCD

## সদৌ বঙাইগাওঁ জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু চিলাৰায় জন্ম জয়ন্তী উদ্‌যাপন সমিতি (অভয়াপুৰী)ৰ যৌথ উদ্যোগত

## ৪৯০ তম্ বিশ্ব-মহাবীৰ চিলাৰায় জন্ম জয়ন্তী উদ্‌যাপন সমিতি।

মুখ্য পৃষ্ঠ পোষক : শ্ৰীযুত ফণীভূষণ চৌধুৰী ।
শ্ৰম আৰু নিয়োগ মন্ত্ৰী, অসম ।
পৃষ্ঠপোষক : শ্ৰীযুত ভূপেন ৰায়, বিধায়ক অভয়াপুৰী উঃ সমষ্টি
: শ্ৰীযুত ৰবিন বণিক্য, " " দঃ "
: শ্ৰীযুত মুকেশ চাহু , আই, এ, এচ. মহকুমাধিপতি উঃ শালমাৰা
: শ্ৰীযুত ডি, মালাকাৰ, এ, পি ,এচ, মহকুমা আৰক্ষী বিষয়া, উত্তৰ শালমাৰা
সভাপতি : শ্ৰীযুত কমলেশ্বৰ সৰকাৰ ।
কাৰ্যকৰী সভাপতি : শ্ৰীযুত সুনীল বৰ্মন ।
উপ সভাপতি : শ্ৰীযুত ধৰ্মেশ্বৰ কলিতা
" " : শ্ৰীযুত সুশীল তালুকদাৰ
" সভানেত্ৰী : শ্ৰীমতী লীলাৱতী ৰায়
সাধাৰণ সম্পাদক : শ্ৰী জগন্নাথ ৰায়।
সহঃ " : শ্ৰী বনাদিত্য বৰ্মন ।
" " : শ্ৰী সবিতা ৰায় ।
কাৰ্য্যালয় সম্পাদক : শ্ৰী মোহন ৰায় ।
বিত্ত বিভাগঃ
সভাপতি : নীৰেশ্বৰ ৰায় ।
সম্পাদক : প্ৰদীপ ৰায় ।
সহঃ সম্পাদক : বসন্ত কুঃ ৰায় ।
সাংস্কৃতিক বিভাগঃ
সভাপতি : জগদীশ বৰ্ম্মন।
সম্পাদক : পুৰেণ ৰায় ।
সহঃ সম্পাদিকা : প্ৰতিমা ৰায় ।
স্মৃতি গ্ৰন্থ বিভাগঃ
সভাপতি : পৰমেশ্বৰ ৰায় ।
সম্পাদক : খনিন্দ্ৰ ৰায় সহঃ সম্পাদীকা : বৰ্ণালী বৰুৱা ।





সদস্য : অতুল ৰায়, কামাখ্যা প্ৰসাদ ৰায়, উপেন বৰুৱা ।
খাদ্য বিভাগঃ
সভাপতি : শৰৎ ৰায় ।
উপ- সভাপতি : ধীৰেণ ৰায় ।
সম্পাদক : মানিক ৰায় ।
সহঃ সম্পাদক : ৰঘু ৰায় ।
" " : বুদ্ধেশ্বৰ ৰায় ।
প্ৰচাৰ বিভাগঃ
সভাপতি : নৰেশ্বৰ দাস ।
সম্পাদক : মৃদুল ৰায় ।
সহঃ সম্পাদিকা : ধৰ্মেশ্বৰী ৰায় ।
যোগাযোগ বিভাগঃ
সভাপতি : মোঃ মজিবৰ ৰহমান ( উপাধ্যক্ষ )
সম্পাদক : চন্দ্ৰ মোহন ৰায় ।
সহঃ সম্পাদক : মুক্তি ৰায় ।
ৰভামঞ্চ তোৰণঃ
সভাপতি : ধীৰেণ নাথ ।
সম্পাদক : মুকুট পাঠক ।
সহঃ সম্পাদক : ৰাজু ৰায় ।
পোহৰ বিভাগ :
সভাপতি : দীপেন ৰায় ।
সম্পাদক : ৰতন ৰায় ।
সহঃ সম্পাদক : সহদেৱ ৰায় ।
হিচাপ নিৰীক্ষক : অমিয় সিংহ ।
উপদেষ্টা : শ্ৰীযুত মহেশ পাঠক ।
: শ্ৰীযুত অমলেন্দু দাস ।
: শ্ৰীযুত উপেন ৰায় ।

সদস্য : শঙ্কৰ ৰায়, আনন্দ ৰায় , উপমা ৰায়, বিউতি ৰায়, তিৰু ৰায়, পবিত্ৰ ৰায়, নমিতা ৰায়, অময়া ৰায়, ভূমি ৰায়, ৰেখা ৰায়, অতুল ৰায় , দিলীপ ৰায় , গোকুল ৰায় , ৰমেন ৰায় , জ্যোতিষ্ক ৰায় , জটিন ৰায় , ধীৰেণ ৰায় , দিলীপ ৰায় , হৰগোবিন্দ ৰায় ( মিঠুন ), প্ৰনিতা ৰায় , কামিনী ৰায়, ৰেখা ৰায় , নিজৰা অধিকাৰী, মমী ৰায়, গীতিকা ৰায়, বিনীতা ৰায়, প্ৰভা ৰায়, সোনমা ৰায়, অৰবিন্দ ৰায়, ৰুবুল ৰায় , ৰমেন পাঠক, চিৰাজদ্দিন , নেফুল ৰায় ।

OKDISCD

## সদৌ বঙাইগাওঁ জিলা কোচ ৰাজবংশী ছাত্ৰৰ সন্থাৰ কাৰ্য্যনিৰ্ব্বাহিক সমিতি (১৯৯৯ -২০০০)

| | |
|---|---|
| ১/ সভাপতি | ঃ বিশ্বজিৎ ৰায় |
| ২/ উপ সভাপতি | ঃ মহেশ চন্দ্ৰ বৰ্মন |
| ৩/ " " | ঃ মুনিন্দ্ৰ ৰায় |
| ৪/ সাঃ সম্পাদক | ঃ ভূপেন ৰায় |
| ৫/ সহ " | ঃ হেম চন্দ্ৰ সৰকাৰ |
| ৬/ " " | ঃ পন্দৰ্প ৰায় |
| ৭/ প্ৰচাৰ সম্পাদক | ঃ নৰেশ্বৰ ৰায় সৰকাৰ |
| ৮/ শিক্ষা আৰু সমাজ সেৱা সম্পাদক | ঃ নৰজ্যোতি বৰ্মন |
| ৯/ সাংস্কৃতিক সম্পাদক | ঃ নিখিল ৰায় |
| ১০/ মুখ্য সাংগঠনিক সম্পাদক | ঃ জ্যোতি প্ৰসাদ সিংহ |
| ১১/ " " | ঃ চন্দ্ৰমোহন ৰায় |
| ১২/ " " | ঃ ত্ৰৈলোক্য ৰায় |
| ১৩/ " " | ঃ নিৰ্মল গীতাল |
| ১৪/ " " | ঃ হেমকান্ত সৰকাৰ |
| ১৫/ " " | ঃ যাদব ৰায় |
| ১৬/ " " | ঃ ভূপেন ৰায় |
| ১৭/ " " | ঃ উত্তম বৰ্মন |
| ১৮/ " " | ঃ বিকাশ ৰায় |
| ১৯/ " " | ঃ সঞ্জীৱ ৰায় |
| ২০/ কাৰ্য্য নিৰ্ব্বাহিক সদস্য | ঃ হীৰেন ৰায় |
| ২১/ " " " | ঃ ধীৰেন ৰায় |
| ২২/ " " " | ঃ অতুল ৰায় |
| ২৩/ " " " | ঃ হিৰকজ্যোতি বৰ্মন |
| ২৪/ " " " | ঃ কানন চৌধুৰী |
| ২৫/ " " " | ঃ ওম প্ৰকাশ বৰ্মন |
| ২৬/ " " " | ঃ অশোক কুমাৰ ৰায় |
| ২৭/ " " " | ঃ সঞ্জীৱ ৰায় |
| ২৮/ " " " | ঃ জয়ন্ত ৰায় |
| ২৯/ " " " | ঃ ভূপতি বৰ্মন |
| ৩০/ " " " | ঃ মানিক চন্দ্ৰ ৰায় |
| উপদেষ্টা | ঃ গিৰিন ৰায় |
| | ঃ জ্যোটু বৈষ্ণৱ |





## সদৌ বঙাইগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই জিলাখনৰ উন্নয়নৰ হকে বিভিন্ন সময়ত গ্ৰহন কৰা দাবী চনদ ।

(১) অসমৰ ৬৫ লাখ জনসংখ্যাৰে গৰিষ্ঠ অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগ কোচ- ৰাজবংশী লোকসকলৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু শৈক্ষিক দিশত যেনেকৈ পিছপৰা, ঠিক তেনেকৈ সাংস্কৃতিক দিশতো অতিকৈ পিছপৰা । কোচ- ৰাজবংশী সকলৰ প্ৰাচীন ঐতিহ্যমণ্ডিত কলা- কৃষ্টি, ভাষা, ক্ৰীড়া আদিৰ পৰিবৰ্দ্ধন, সংৰক্ষণ আৰু বিকাশ সাধন কৰিব পৰাকৈ নামনি অসমৰ বাণিজ্য প্ৰধান চহৰ-বঙাইগাঁও চহৰৰ মাজমজিয়াত চিলাৰায় একাডেমী নামেৰে এটি অনুষ্ঠান অনতিপলমে গুৱাহাটীত প্ৰতিষ্ঠা কৰা শংকৰদেৱৰ কলাক্ষেত্ৰ নিচিনাকৈ স্থাপন কৰাৰ ব্যৱস্থা কৰক ।

(২) ক্ৰমবৰ্দ্ধমান বঙাইগাঁও চহৰৰ জনসংখ্যা সম্প্ৰতি দ্ৰুতগতিত বৃদ্ধি পোৱাৰ লগে লগে ইয়াত ৰোগীৰ সংখ্যাও দিনক দিনে বৃদ্ধি পাব ধৰিছে । গতিকে এই ৰোগী সকলৰ আশু চিকিৎসাৰ বাবে ত্ৰিশখন বিছনাযুক্ত বঙাইগাওঁ গাওঁলীয়া চিকিৎসালয়খন এপাচি কচু শাকত এটা জলকীয়াৰ নিচিনা । সেই কাৰনে বহু বছৰৰ আগতে প্ৰস্তাবিত ২০০ খন বিছনাযুক্ত চিকিৎসালয়খন অতিশীঘ্ৰে নিৰ্মাণ কৰাৰ ব্যৱস্থা হাতত লওঁক ।

(৩) বঙাইগাঁও চহৰৰ পথাচাৰী, চাইকেল, মটৰ আদিৰ আৰোহী সকলৰ জীৱন সুৰক্ষাৰ বাবেই অনতিপলমে প্ৰয়োজন হৈ পৰিছে - বহু বছৰ আগতে প্ৰাক্তন মন্ত্ৰী অতুল বৰাদেৱে আধাৰশিলা স্থাপন কৰি যোৱা ৰেলৰে ক্ৰছিং (পাগালাস্থান)ৰ ওপৰত প্ৰস্তাবিত ফ্লাই-অভাৰখন । মহোদয়ে অতিশীঘ্ৰে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি উক্ত ফলাই-আভাৰখনৰ কাম দ্ৰুতগতিত কৰাৰ ব্যৱস্থা কৰক ।

(৪) সুস্থ শৈক্ষিক পৰিৱেশ এটাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে বঙাইগাঁও জিলাত । যি সময়ত অসমৰ প্ৰতিখন জিলাতে জিলা পুঁথিভঁৰাল, জিলা সংগ্ৰহালয় আদি নিৰ্মিত হৈ পূৰ্ণ পৰ্য্যায়ত সেই বোৰ চৰকাৰে চলাই আছে , এনে সময়ত বঙাইগাঁও জিলাত এটা পুঁথিভঁৰাল স্থাপনকৰাৰ ক্ষেত্ৰত চৰকাৰে এতিয়ালৈকে কোনো ধৰনৰ গুৰুত্ব নিদিয়াটো অতি পৰিতাপৰ বিষয় । গতিকে

OKDISCD

মহোদয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি জিলা পুঁথিভৰালটো অতি শীঘ্ৰে বঙাইগাঁও চহৰৰ মাজ-মজিয়াত স্থাপন কৰা ব্যৱস্থা কৰক।

(৫) শিক্ষাৰ মান উন্নত কৰাৰ বাবেই ইতিমধ্যে অসমৰ বিভিন্ন জিলাত যেনেকৈ নবোদয় বিদ্যালয় স্থাপন কৰা হৈছে, ঠিক তেনেকৈ বঙাইগাঁও জিলাতো এখন নৱোদয় বিদ্যালয় অনতিপলমে স্থাপন কৰাৰ ব্যৱস্থা কৰক।

(৬) বঙাইগাঁওৰ বীৰঝৰা চাহ বাগিছাই বেদখল কৰি থকা মাটি সোনকালে দখলমুক্ত কৰি চৰকাৰৰ আয়ত্বলৈ নিয়ক।

(৭) বঙাইগাঁও আৰু দোলাইগাঁওৰ খেতি-পথাৰৰ মাজেদি বৈ থকা টুনীয়া নৈখনৰ পানী বি,আৰ, পি, এল, ৰ দুষিত পদাৰ্থৰে প্ৰদুষিত হোৱাৰ কথা সৰ্বজন বিদিত। ইয়াৰ ফলত টুনীয়ানৈৰ পানী খাই গৰু, মহ, ছাগলী আদিৰ বেমাৰ-ব্যাধি হোবাৰ লগতে মৃত্যুপৰ্য্যন্ত হৈছে। সেয়ে প্ৰদুষিত পানী লাগিলে মানুহৰো ভৰি-হাত আদিত দুৰাৰোগ্য ঘাঁ হোৱাও দেখা গৈছে। তাৰ উপৰি এই নৈখনৰ আশে-পাশে থকা পথাৰো অনুৰ্বৰ হৈ পৰিছে। গতিকে এই সকলো সমস্যা সমাধান কল্পেই অতি সোনকালে বি, আৰ, পি, এল ৰ দ্বাৰা প্ৰদুষিত টুনীয়া নৈৰ পানী প্ৰদুষণ মুক্ত কৰাৰ ব্যৱস্থা কৰক।

(৮) নামনি অসমৰ সীমান্ত ৱৰ্ত্তী জিলা কেইখনক ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলোৰ বহুতেই আজি অসমত থকা চিকিৎসা মহাবিদ্যালয় কেইখনত ইচ্ছা কৰিলেই নাম ভৰ্ত্তি কৰিব নোৱাৰা বিষয়টো মহোদয়ৰ নিশ্চয় নজনা নহয়। ফলত এই অঞ্চলৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰী সকলৰ মেধাবী প্ৰতিভা কলিতে মৰহি গৈছে। সেয়ে মহোদয়ে অনতিপলমে অসমৰ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি উঠি অহা উজ্বল সম্ভাৱনাময় ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যত জীৱন সুৰক্ষিত কৰক।

(৯) বঙাইগাঁও আৰু সমীপৱৰ্তী জিলা কেইখনৰ অধিবাসীসকলৰ সৰহ সংখ্যকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। গৰু, ম'হ আদি কৃষিৰ প্ৰধান আহিলা। গতিকে গৰু-ম'হ আদিক সুস্থ শৰীৰে ৰখাৰ বাবে কৃষি প্ৰধান ৰাইজে অহোপুৰুষাৰ্থ কষ্ট কৰিবলগীয়া হয়। এই কেইখন জিলাৰ কৃষিজীৱি ৰাইজৰ জীৱন যাত্ৰা সু-সমৃদ্ধ কৰিবলৈ হ'লে সমগ্ৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকলেও পশু চিকিৎসা বিদ্যালয় অধ্যয়ণৰ সুবিধা পাব লাগিব। অসমৰ দুখন পশু চিকিৎসা মহাবিদ্যালয় আছে, তাত





আমাৰ এই কেইখন জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে সহজে নাম ভৰ্ত্তি কৰিবলৈ সুবিধা নাপায়। বঙাইগাঁও জিলাতো অতিশীঘ্ৰে এখন পশু চিকিৎসা মহাবিদ্যালয়ৰ স্থাপনৰ দিহা কৰক।

(১০) পোপৰাগাঁওৰ পৰা চক্ৰশীলা-সৃজনগ্ৰামৰ বহৎ এলেকাত আই নদীয়ে ভয়ঙ্কৰ গৰাখহনীয়া সৃষ্টি কৰি সেই অঞ্চল সমূহৰ ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা অৱস্থা কৰিছে। গতিকে মহোদয়ে অনতিপলমে আই নদীৰ গৰাখহনীয়া প্ৰতিৰোধ কৰি দুৰ্ভগীয়া ৰাইজৰ জীৱন বিপদমুক্ত কৰক।

(১১) সিদলসতীৰ আই নদীৰ মথাউৰিৰ ওপৰত দীৰ্ঘদিন ধৰি বসবাস কৰি থখা শৰনাৰ্থী সকলক নিজৰ নিজৰ বাসস্থানলৈ ওলোটাই পঠোৱাৰ দিহা কৰক।

(১২) বঙাইগাঁও কলেজৰ হোষ্টেলৰ পশ্চিমে থকা দোলাইগাঁওৰ মাজেৰে টুনীয়া নদীৰ ওপৰেৰে পথাৰৰ মাজে মাজে গৈ, নিউ বঙাইগাঁওৰ পৰা ঢালিগাঁওলৈ থকা পকা ৰাস্তাটোৰ সংযোগ নিচেই ঠেক ৰাস্তাটো এটা ভাল পথ হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰক। লগতে টুনীয়া নৈৰ ওপৰত এখন দলং দিয়াৰো ব্যৱস্থা কৰক।

(১৩) বিজনী - কুকলুং পথ, বিজনী মাত্ৰা পথ, বিজনী-উলুবাৰী-পাণবাৰী পথ, সিদলসতী-বৰঘোলা পথ, অভয়াপুৰী-বৰঘোলা পথ, মানিকপুৰ -বেচিমাৰী পথ, কাশীডোবা-কাকৈজানা পথ, বাসুগাঁও-তালগুৰী পথ, পুণৰ নিৰ্মাণ কৰি সেই পথ সমূহৰ মাজত থকা জৰাজীৰ্ণ দলংসমূহ স্থায়ীভাবে নিৰ্মাণ কৰক।

(১৪) গেৰুকাবাৰী -বিজনী পথৰ মাজত থকা দুলানি নদীৰ ওপৰত বহু বছৰ ধৰি নিৰ্ম্মাণ কৰি থকা দলংখন অতি সোনকালে মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰক। লগতে দুলানী নদীৰ মাজত থকা শিয়ালমাৰী -বিজনী পথৰ জৰাজীৰ্ণ দলংখন পুনৰ নিৰ্ম্মাণ কৰক।

(১৫) মহোদয়ে নিশ্চয় জানে যে যোৱা ২২ ইং ফেব্ৰুৱাৰী '৯৬ তাৰিখে চাপাগুৰীৰ পৰা বঙাইগাঁও চহৰৰ সোঁমাজেদি উত্তৰ শালমাৰালৈ যোৱা গড়কাপ্তানী বিভাগৰ ৰাস্তাটোৰ নাম ' চিলাৰায় পথ' বুলি ঘোষণা কৰি চাপাগুৰীত এখন ফলকো লগোৱা হৈছিল, কিন্তু এতিয়া সেই ফলকো নাই আৰু ৰাস্তাটোৰ নামটোকো কোনোৱে ব্যৱহাৰ কৰা দেখা নাযায়। ১৯৯৬ চনতে চৰকাৰী ভাবে ঘোষিত হোৱা সেই নামটো ৰাস্তাটোৰ ক্ষেত্ৰত এতিয়ালৈকে বহুল ভাবে ব্যৱহৃত নোহোৱা সঁচাকৈয়ে অতি পৰিতাপৰ বিষয়। গতিকে দয়ালু মহোদয়ে উক্ত ৰাস্তাটোৰ ' চিলাৰায় পথ' নামটো অতি



OKDISCD

শীঘ্ৰে বহুলভাবে প্ৰচাৰ কৰাৰ ব্যৱস্থা হাতত লওঁক ।

(১৬) বঙাইগাঁও জিলাৰ যিকোনো চৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত কেৱল থলুৱা প্ৰাথীক ( নুন্যতম অৰ্হতা খিনি থাকিলেই নিযুক্তি দিয়াৰ ব্যৱস্থা সুনিশ্চিত কৰক ।

(১৭) বঙাইগাঁও জিলাৰ ডি, পি, ই, পি ত বিৰাজ কৰা দুৰ্নীতি প্ৰতিৰোধ কৰক আৰু অলপতে হ'বলগীয়া ডি, পি, ই, পি ৰ নিয়োগত থলুৱা প্ৰাথীসমূহ নিযুক্তি দিয়ক ।

(১৮) বঙাইগাঁও জিলাৰ বিজনী মহকুমাত অৱস্থিত 'বৰবজাৰ উন্নয়ণ খণ্ড'ৰ কাৰ্যালয়টো পুনৰ নিৰ্মাণ কৰাৰ লগতে বৰ্তমান বিজনী চহৰত অস্থায়ীভাবে চলাই থকা উক্ত উন্নয়ণ খণ্ডটি অতিশীঘ্ৰে পূৰ্বৰ ঠাইলৈ অৰ্থাৎ বৰবজাৰলৈ স্থানান্তৰিত কৰক ।

(১৯) প্ৰস্তাৱিত ছিপনছিলা উন্নয়ণ খণ্ডটি আজিলৈকে গঢ়ি নুঠাত বঙাইগাঁওবাসী ৰাইজৰ উন্নয়নত যথেষ্ট বিলম্ব হৈছে । গতিকে অতি শীঘ্ৰে প্ৰস্তাৱিত ছিপনছিলা উন্নয়নখণ্ডটি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰক ।

(২০) বঙাইগাঁও চহৰৰ মূখ্য পথৰ পূবে ( বাঘেশ্বৰী মন্দিৰৰ কাষৰ পৰা বীৰঝৰা চাহ বাগিছাৰ মাজেদি গৈ চাপ্ৰাকাটালৈ আৰু পশ্চিমে ( ছহীদবেদীৰ পৰা ভাকাৰিভিটা দোলাইগাঁও হৈ কুকুৰমাৰীৰ মাজেৰে গৈ ৰাষ্ট্ৰীয় পথ পৰ্যন্ত) দুটা বিকল্প পথ অতি শীঘ্ৰে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰক ।



ASSAM STATE AGRICULTURAL MARKETING BOARD
GUWAHATI

# নিয়ন্ত্ৰিত বজাৰত কৃষকৰ স্বাৰ্থহে সবাতোকৈ আগত

অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ, ৰামকৃষ্ণ মিচন ৰোড, উলুবাৰী , গুৱাহাটী -৭ ৰ প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত

OKDISCD

# DISTRICT RURAL DEVELOPMENT AGENCY
# BONGAIGAON.

District Rural Development Agency, Bongaigaon since its inception in June'92 is rendering its services to, the rural poor people under various development programme as follows:-

(1) IRDP (2) JRY (3) MWS (4) IAY (5) EAS (6) NPBD (7) DWCRA (8) GKY (9) TRYSEM etc.

The government have decided to restructure some programmes w.e.f 01.04.99 like JGSY, SGSY etc.

The Jawahar Gram Samridhi Yojana will be dedicated entirely to the development of Rural infrastructure at the village Level and to be implemented by the village panchayats . They will have the sole authority for preparation of Annual Action plan and their implementation including the power to execute works with the approval of the Gram Sabha . This programmes also provides for special works to be taken up for the benefit of the weaker section of society . The works that can be taken up under the programmes are given below:-

(a) Infrastructure for SC/ST habitations .

(B) Infrastructure required for supporting agriculture activities in the village panchayat.

(c) Community Infrastructure for education , health and roads .

(d) Other social , economic and physical infrastructure.

Swarnajyanti Gram Swarojgar Yojna:- With coming in to force of SGSY, the programmes IRDP, TRYSEM , DWCRA, SITRA, GKY and MWS are no longer in operation .

The objective of SGSY will be to bring the assisted poor families (Swarozgaries ) above the poverty line three years, by providing them income -generating assets through a mixed of bank credit and government subsidy.It would mean ensuring that the family has a monthly net income of at least is. 2000.

<u>Indira Awaas Yojana</u> - The objective of IAY is primarily to help construction of dwelling units by members of schedule casts/- schedule Tribes, freed bonded labourers and also non SC/ST rural poor below the poverty line by providing with grantaid.

Employment Assurance Scheme :- The primary objective of the EAS is to provide gainful employment during the lean agricultural-season in manual work to all able bodied adults in rural areas who are in need and who are desirous of work , but cannot find it, either on farm or on other allied operations or on the normal plan/non plan works during such period. The secondary objective is the creation of economic infrastructure and community assets for sustained employment and development.

Project Director
Dist. Rural Development Agency
Bongaigaon.

OKDISCD